*সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩১ বছৰৰ এক অবিৰত যাত্ৰা...*

*গুৱাহাটীৰ পৰা প্ৰকাশিত নিভীক সাপ্তাহিক*

# ৰঙিলী বাৰ্ত্তা


Govt. of Assam Approved

Postal Redg. No. GH- 098/2012-17

৩১ বছৰ,৩৮ সংখ্যা, ৪ আহিন, ৰবিবাৰ,১৪৩২ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪

*RNI No.53883/94. GHY- 781025. Vol. 31: Issue No. 38 Date of Publication- 21 September 2025 Rs. 10.00/-*

## আকাশে গাতে ল'বৰে মন, সাগৰ তলিত শুবৰে মন....



## অশ্ৰুশিক্ত নয়নেৰে বিদায় জুবিন দা.....

জুবিন দাই সাগৰৰ তলিত শুবলেহে মন কৰিছিল। কিন্তু নিয়তি তুমি কিয় ইমান নিষ্ঠুৰ তুমি জুবিন দাক সাৰ পাবলৈ নিদিলা কিয় ?? কিয় ?? তুমিটো জানাই জুবিন দাই ধেমালী কৰি ভাল পাই। আজি জুবিন বিহীন তিনিটাদিন আমি কেনেকৈ পাৰ কৰিছো তুমি জানানে বাৰু ?? নাজানা, নালাগেও জানিব । কি বুজিবা এই অকল্পনিয়, অবিশ্বাস্য দুখৰ বেদনা। অৱশ্য সাগৰে কি বুজিব আমাৰ অসমীয়াৰ জাতিৰ হিয়াঁৰ আমঠু, অমূল্য সম্পদবিধৰ কথা। লুইত হোৱা হ'লে এনেকুৱা নকৰিলেহেঁতেন। জুবিন দা নাই এই কথাষাৰ মানি ল'ব নোৱাৰো। জুবিন দা আছিলে, আছে আৰু সদায় থাকিব। ৰঙিলী বাৰ্ত্তাৰ ফালৰ পৰা জুবিন গাৰ্গলৈ জনাইছো অশ্ৰুসিক্ত অঞ্জলি। জুবিন দা অমৰ হওঁক।

## জনসমুদ্ৰৰ মাজেৰে চিৰ বিদায় অমৃতকণ্ঠ জুবিন গাৰ্গ...







সম্পাদকীয় শিতান... দেৱাশীষ গোস্বামী

# চকুৰ লোতকেৰে নেদেখা হোৱা বাটেৰে



নিৰৱ নিস্তব্ধ চৌদিশ, চৌপাশ। নিৰ্বাক আজি আমিবোৰ। মাজে মাজে কেৱল ভাঁহি আহে উচুপনি। অসংখ্য অূৰ্পব সৃষ্টিৰাজিৰ মায়াজালত হিয়া ঢাকুৰি কান্দিবও পৰা নাই গৰিষ্ঠ সংখ্যকে। অকল্পনিয়, অভাৱনীয়, অবিশ্বাস্য, শব্দহীন। নিষ্ঠুৰ নিয়তিয়ে লৈ গ'ল আমাৰ গৌৰৱ, অমূল্য সম্পদ। হেৰাই গ'ল আমাৰ আবেগ, আমাৰ স্বাভিমান। সাগৰৰ বিশাল ঢৌ ৰাশিয়ে ইতিকিং কৰি আকৌ যেন কৈ গ'ল - নকৰিবা খেলা মোৰ লগত, নোৱাৰিবা বলাব মোক। হঠাৎ যেন কলীয়া ডাৱৰে বেয়াকৈ আকাশখন আগুৰি পেলালে। ৰাজ্যৰ, দেশৰ প্ৰত্যেকজনৰ হৃদয়ত সেই কলীয়া মেঘৰ তৰ্জন গৰ্জন। ক'তজনে যে কটাইছে বিনিদ্ৰ ৰজনী, ক'তজনৰ পেটত পৰা নাই খুদকণ এটাও। কেৱল মাথো কেৱল চাৰিওফালে সকলোৰে দেহত শাঁত নপৰা একুৰা জুই, অসহ্য চাটি ফুটি, অব্যক্ত বেদনা। দেহৰ মাংস এটুকুৰা যেন হঠাৎ চিগি পৰিল। মুঠতে টোপনি, ভোক দূৰতে বিদূৰ।

হয়, জন্মিলে মৃত্যু অবধাৰিত। প্ৰত্যেক জীৱনৰে এক চিৰন্তন সত্য মৃত্যু। বুজা হোৱাৰে পৰা মৃত্যুৰ বেদনা বাৰুকৈয়ে উপলব্ধি কৰি আহিছো আমি সকলোৱে। আপোন জনক, প্ৰিয়জনক হেৰুৱাই সৃষ্টি হোৱা শূন্য স্থান আন কোনোৱে যে পূৰাব নোৱাৰে জীৱন যুদ্ধই অতি পৰিস্কাৰ কৈ ইতিমধ্যে আমাক বুজাই দিছেই। তেনেই ক্ষন্তেকীয়া জীৱন আমাৰ বোৰৰ, তেনেই ঠুনুকাচোন। এটা জীৱন সৃষ্টি কৰিবলৈ আমাক ৯টাকৈ মাহৰ প্ৰয়োজন। তাৰ ঠিক বিপৰীতে হেৰুৱাবলৈ মাত্ৰ এটা চকুৰ পলক। ইমূৰৰ পৰা সিমূৰলৈ, ৰাতি পুৱাৰে পৰা ৰাতিলৈকে দপদপাই থাকি, প্ৰত্যেক খন হৃদয়ৰ এটুকুৰা বিশেষ ঠাই দখলেৰে নিজৰ অস্তিত্ব জাহিৰ কৰি, উঠোতে-বহোতে, খাওঁতে শুওতে মায়াজাল সৃষ্টিৰে মোহাচ্ছন্ন কৰি ৰাখি হঠাতে চিৰ জীৱনৰ বাবে অন্তৰ্ধান হৈ গ'লে কি এক অৱৰ্ণনীয় পৰিস্থিতিৰ উদ্ভৱ হ'ব পাৰে দুনাই দোহাৰাৰ প্ৰয়োজন বোধহয় নাই। হেৰুওৱাৰ বেদনা সমগ্ৰ ৰাজ্যবাসীৰ লগতে দেশেও মৰ্মে মৰ্মে উপলব্ধি কৰিছে।

কিছুমান মৃত্যু আমি মানিলবলৈ অপাৰগ। নিজকে হাজাৰ চেষ্টা কৰিলেও পতিয়ন নিওৱাত তেনেই অক্ষম। আজি আমাৰ প্ৰত্যেকৰ দেহত এনেকুৱা এটুকুৰা ঘাঁ যাক কোনো মলমেও ঠিক কৰিব নোৱাৰে নাজানো কেনেকৈ আমিবোৰে দৈনন্দিন কৰ্ম সুচাৰু ৰূপে পালন কৰিম, নাজানো আমি কি বুলি বুজালে অশান্ত মনবোৰ শান্ত হ'ব। আগৰ জীৱন ধাৰালৈ ঘূৰি যোৱা আমাৰ বাবে অসম্ভৱ।

আজি প্ৰত্যেক জোপা গছে কান্দিছে, বনে কান্দিছে, ফুলে কান্দিছে। কান্দিছে চৰাই-চিৰিকটিয়ে, পশু পক্ষীয়ে। কান্দিছে ৰঙিলী বাৰ্তাৰ প্ৰত্যেকজন কৰ্মকৰ্তাই। হেৰাই গ'ল আমাৰ আবেগ, আমাৰ স্বাভিমান, আশা ভৰষাৰ থল। নাপাও কোনোদিনে সেই অৰ্পূব সৃষ্টিৰ অদম্য মায়াজাল।

মাথো নামেই যাৰ পৰিচয়, পঞ্চভূতত বিলীন হ'বলৈ গৈ আছে সেই পৰিচয় আমাক তেনেই নিঠৰুৱা কৰি।

জুবিন, কি অভিমানেৰে আমাৰ পৰা আঁতৰি গ'লা অবুজ সাথঁৰ হৈ ৰ'ল। আমিবোৰেও সেই ক্ষোভেৰেই নিজৰ নিজৰ জীৱন যুদ্ধত চকুৰ লোতকেৰে নেদেখা হোৱা বাটেৰে পুনৰ আগুৱাই যাম তোমাৰ সৃষ্টি ৰাজীক সৰোগত কৰি, তোমাৰ শিশু সুলভ মনটোক আৰ্হি কৰি, তোমাৰ মাজত বিৰাজমান মানবীয় প্ৰমূল্যবোধ সমূহক যথোচিত সন্মান দি। কি পালা, কি দিলা, হিচাপ কৰিবলৈ সময়েই নাপালা দেখোন। নিজেও নকৰিলা, আমাকো সুবিধা নিদিলা।

জুবিন, তুমি ইউকেলিপ্টাচৰ দৰে ওখ, আকাশৰ দৰে বহল, জলপ্ৰপাতেদি নামি অহা জলৰাশিৰ দৰে নিৰ্মল।

হে মহান তুমি অমৰ। Because Legend Never Dies.

# আজি সৰুসজাইত লক্ষ লক্ষজনে শ্ৰদ্ধাঞ্জলি জনাব হাৰ্টথ্ৰ'ব জুবিন গাৰ্গক



ৰঙিলী বাৰ্ত্তাসেৱা- নৰ্থ-ইষ্ট ফেষ্টিভেলত অংশ ল'বলৈ গৈ দুৰ্ভাগ্যজনকভাৱে অন্তিম শয়নত শুই পৰা জুবিন গাৰ্গৰ মৰণোত্তৰ পৰীক্ষা ছিংগাপুৰতে সম্পন্ন হয়। ইয়াৰ পিছতে একেধাৰে জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গৰ নশ্বৰদেহ ছিংগাপুৰস্থিত ভাৰতীয় দূতাৱাসৰ বিষয়াসকলৰ উপস্থিতিত তেওঁৰ সহযাত্ৰী শেখৰজ্যোতি গোস্বামী, সন্দীপন গাৰ্গ আৰু মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাক চমজাই দিয়ে। ছিংগাপুৰৰ পৰা জুবিন গাৰ্গৰ নশ্বৰদেহ লৈ অহা বিশেষ বিমানখন শনিবাৰে নিশা ৰব্‌জ্ঞ মান বজাত নতুন দিল্লীৰ ইন্দিৰা গান্ধী আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত অৱতৰণ কৰে। নতুন দিল্লীৰ পৰা ৰাতিপুৱা তেওঁৰ পাৰ্থিৱ শৰীৰ গুৱাহাটীলৈ অনাৰ হয়। নতুন দিল্লীৰ বিমানবন্দৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই জুৱিনৰ পাৰ্থিৱ শৰীৰ চমজি লয় আৰু বিমানবন্দৰতে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সেই সময়ত মুখ্যমন্ত্ৰীগৰাকীয়ে কফিনৰ ওপৰত অসমীয়াৰ স্বাভিমান গামোচা (দহ পৃষ্ঠাত চাওক)

# তদন্তৰ আওতাত আহিব শ্যামকানু আৰু সিদ্ধাৰ্থ শৰ্মা



ৰঙিলী বাৰ্ত্তাসেৱা- যুৱপ্ৰজন্মৰ হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ ছিংগাপুৰত আকস্মিক বিয়োগত সমগ্ৰ ৰাজ্য শোকবিহ্বল হৈ থকাৰ সমান্তৰালভাৱে নৰ্থ-ইষ্ট ফেষ্টিভেলৰ আয়োজক শ্যামকানু মহন্ত আৰু শিল্পীগৰাকীৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ বিৰুদ্ধে ক্ষোভৰ বহিঃপ্ৰকাশ ঘটিছে। ৰাজ্যৰ বিভিন্ন স্থানত দুয়োজনৰ বিৰুদ্ধে দল-সংগঠন আৰু ব্যক্তিবিশেষে দাখিল কৰিছে এজাহাৰ। এই সমগ্ৰ বিষয়টোক লৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এক গুৰুত্বপূৰ্ণ কথা সদৰী কৰে। তেওঁ সকলো এজাহাৰ চিআইডিলৈ স্থানান্তৰ কৰাৰ লগতে পুংখানুপুংখ তদন্তৰ বাবে এটা সংহত গোচৰ পঞ্জীয়ন কৰিবলৈ অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিট সিঙক নিৰ্দেশ দিয়ে। এই সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত তেওঁ কয় যে জুবিন গাৰ্গৰ দুৰ্ভাগ্যজনক আৰু আকস্মিক মৃত্যুক লৈ শ্যামকানু মহন্ত-সিদ্ধাৰ্থ শৰ্মাৰ বিৰুদ্ধে একাধিক এজাহাৰ দাখিল কৰা হৈছে। মই অসম আৰক্ষীৰ সঞ্চালকপ্ৰধানক সমূহ এজাহাৰ চিআইডিলৈ স্থানান্তৰ আৰু পুংখানুপুংখ তদন্তৰ বাবে এটা সংহত গোচৰ পঞ্জীয়ন কৰিবলৈ নিৰ্দেশনা প্ৰদান কৰিছোঁ। জুবিন গাৰ্গৰ অকাল বিয়োগৰ বিষয়ত (দহ পৃষ্ঠাত চাওক)

# অসমবাসী ৰাইজক বিশেষ আহ্বান গৰিমা গাৰ্গৰ




ৰঙিলী বাৰ্ত্তাসেৱা- হিয়াৰ আমঠু জুবিন গাৰ্গৰ অনুৰাগী আৰু অসমবাসী ৰাইজক এক বিশেষ আহ্বান গৰিমা শইকীয়া গাৰ্গৰ। হিয়াৰ আমঠু জুবিন গাৰ্গৰ শেষ বিদায় যাতে শান্তিপূৰ্ণ আৰু শৃংখলভাৱে হয়, তাৰ বাবে অনুৰোধ জনালে পত্নী গৰিমা গাৰ্গে। জুবিনৰ মৃত্যুক কেন্দ্ৰ কৰি একাংশ অনুৰাগীৰ মাজত সৃষ্টি হোৱা ক্ষোভ তথা জুবিনৰ একাংশ সহযোগীৰ বিৰুদ্ধে থানাত গোচৰ দিয়া ঘটনাৰ পাছত সম্ভাব্য যিকোনো পৰিস্থিতিক লৈ উদ্বিগ্ন হৈ পৰিছে গৰিমা গাৰ্গ। সেয়েহে জুবিন গাৰ্গৰ বিদায়পৰ্ব যাতে শান্তিপূৰ্ণভাৱে হয় তাৰ বাবে অনুৰাগীলৈ বিনম্ৰ আহ্বান জনালে পত্নী গৰিমা গাৰ্গে। সামাজিক মাধ্যমযোগে গৰিমা গাৰ্গে আহ্বান জনাই কয়- জুবিন আহি আছে, জীয়াই থকা দিনকেইটা আপোনালোকে তেওঁক বহুত মৰম দিলে, আপোনালোককো তেওঁ সমানেই ভাল পায়। এতিয়া সি আহিব গতিকে শান্তিপূৰ্ণভাৱে সকলো হৈ যাওক। জুবিনৰ যি শেষ যাত্ৰা, সেয়া একো বিঘিনি নঘটাকৈ, শান্তিপূৰ্ণভাবে হওক। কোনোবাই যদি মনত কিবা ভাবি আছে যে খেলিমেলি হৈছে-সংঘাত হৈছে, সেয়াও যাতে নহয়। পুলিচ-প্ৰশাসনে আমাক সহায় কৰি আছে। জুবিন আহক ভালকৈ আমি সকলোৱে চাম, শেষবাৰৰ বাবে তাক চাম। জুবিনৰ লগত আমাৰ নিজৰ ভাইৰ দৰে লাগি আছে সিদ্ধাৰ্থ। (নপৃষ্ঠাত চাওক)


# কোনো দিন উভতি নহাৰ বাটেৰে গ'লগৈ..

ৰঙিলী বাৰ্ত্তাসেৱা- আকাশে গাতে ল'বৰে মন, সাগৰ তলিত শুবৰে মন, মনৰ চিলা উৰুৱাই জীৱনে..... সাগৰ তলিত শোৱাৰ তীব্ৰ বাসনা যেন বহু বছৰ পূৰ্বে এই গানটোৰ মাধ্যমেৰে ব্যক্ত কৰিছিল যুৱপ্ৰজন্মৰ হাৰ্টথ্ৰ'ব জুবিন গাৰ্গে। অনাকাংক্ষিতভাৱে সেই কামনা পূৰ্ণ কৰি কাহানিও উভতি নহা বাটেৰেই গুচি গ'ল জুবিন গাৰ্গ। অজস্ৰ অনুৰাগীৰ হিয়াত শোকৰ হেন্দোলনি তুলি হঠাতে জুবিন গাৰ্গে ছিংগাপুৰৰ নীল সমুদ্ৰৰ বক্ষত চিৰনিদ্ৰাত ঢলি পৰাৰ খবৰ অপ্ৰত্যাশিত আছিল সকলোৰে বাবে। কিন্তু শেষত এয়াই সত্য হ'ল। সপোনতো কোনেও কাহানিও ভবা নাছিল জুবিন গাৰ্গ এনেদৰে গুচি যাব অজান্তি মুলুকলৈ। ১৯৭২ চনৰ ১৮ নৱেম্বৰত মেঘালয়ৰ তুৰাত জন্মগ্ৰহণ কৰা জুবিন গাৰ্গে ১৯৯২ চনত মুক্তিপ্ৰাপ্ত 'অনামিকা' নামৰ এলবামখনেৰে অসমীয়া সংগীত ক্ষেত্ৰখনত আত্মপ্ৰকাশ কৰিছিল। পৰ্যায়ক্ৰমে অসমীয়া ৰাইজৰ হিয়াৰ আমঠু হৈ পৰা শিল্পীগৰাকী সংগীতৰ এই যাত্ৰাক কেৱল অসমতে সীমাবদ্ধ নাৰাখি দেশজুৰি আগুৱাই নিছে। ১৯৯২ চনৰ পৰা সাংগীতিক যাত্ৰা আৰম্ভ কৰি মৃত্যু পৰ্যন্ত হাৰ্টথ্ৰ'বগৰাকীয়ে অসমীয়া, হিন্দী, বাংলাকে ধৰি ৪০টাতকৈও অধিক ভাষাৰ গীতত কণ্ঠদান কৰিছিল। ১৯৯৫ চনত মুম্বাইলৈ ঢাপলি মেলা শিল্পীগৰাকীৰ 'য়া আলী' শীৰ্ষক গীতটোৰে বলীউডৰ লগতে সমগ্ৰ দেশত এক স্বকীয় পৰিচয় দিবলৈ সক্ষম হৈছিল। অকল সংগীত পৰিচালনাই নহয়, অভিনেতা ৰূপেও অসমত সাংস্কৃতিক ক্ষেত্ৰখনত বহু অৱদান আগবঢ়াইছে শিল্পীগৰাকীয়ে। দীনবন্ধু, মিছন চাইনা, কাঞ্চনজংঘা, তুমি মোৰ মাথোঁ মোৰ আদি শিল্পীগৰাকীৰ অভিনীত জনপ্ৰিয় ছবি। অসমক সাংস্কৃতিকভাৱে বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ অহৰ্নিশে চেষ্টা চলোৱা শিল্পীগৰাকীয়ে শেহতীয়াকৈ কিছুদিন পূৰ্বে ছিংগাপুৰত অনুষ্ঠিত নৰ্থ-ইষ্ট ফেষ্টিভেলত অংশ ল'বলৈ গুৱাহাটীৰ পৰা ৰাওনা হৈছিল। অনুষ্ঠান সফলতাৰে সম্পূৰ্ণ কৰি উভতি অহাৰ তেওঁ প্ৰতিশ্ৰুতিও দি গৈছিল বহুজনক। কিন্তু উভতি নাহিল তেওঁ। ছিংগাপুৰৰ সাগৰত

(দহ পৃষ্ঠাত চাওক)



# নূপুৰ বৰাৰ বৰপেটাৰোডৰ এছবিআইৰ লকাৰত ২৩.৭৫ লাখ টকা জব্দ



ৰঙিলী বাৰ্ত্তাসেৱা- দুৰ্নীতিৰ সম্ৰাজ্ঞী এ চি এছ নূপুৰ বৰাৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত আছে । ফ্লেট আৰু ভাৰাঘৰৰ পিছত এইবাৰ বেংকত থকা লকাৰ বিচাৰি চলিল আৰক্ষীৰ অভিযান। বিতৰ্কিত এচিএছ বিষয়া নূপুৰ বৰাৰ জিম্মাৰ পৰা এতিয়ালৈকে চিএম ভিজিলেঞ্চৰ দলে জব্দ কৰিছে ১ কোটি ১৬ লাখ টকা। এগৰাকী চৰকাৰী বিষয়াৰ বাবে সপোনৰ দৰেই এই বৃহৎ ধনৰাশি ছবছৰীয়া চাকৰিৰ জীৱনত দুৰ্নীতিৰে সংগ্ৰহ কৰিছিল নূপুৰ বৰাই। আয়-বহিৰ্ভূত সম্পত্তিক লৈ চিএম ভিজিলেঞ্চে তদন্ত অব্যাহত ৰখাৰ সময়তে এই চাঞ্চল্যকৰ তথ্য পোহৰলৈ আহিছে। উল্লেখ্য যে বৰপেটা আৰু গুৱাহাটীৰ নূপুৰ বৰাৰ চাৰি স্থানৰ পৰা যোৱা ১৬ ছেপ্টেম্বৰত চিএম ভিজিলেঞ্চৰ দলে জব্দ কৰিছিল প্ৰায় ৯২ লাখ টকাৰো অধিক নগদ ধন। তাৰ পিছতে বৰপেটাৰোডৰ ভাৰতীয় ষ্টেট বেংকত থকা লকাৰ দুটাতো তদন্তকাৰী দলে অভিযান চলায়। আৰক্ষী সূত্ৰৰ পৰা জানিব পৰা মতে, দুয়োটা লকাৰৰ ভিতৰত এটা বিষয়াগৰাকীৰ নিজৰ নামত থকাৰ লগতে আনটো লকাৰ পিতৃৰ সৈতে যুটীয়াভাবে আছিল। ইয়াৰে এটা লকাৰত ২৩ লাখ ৭৫ হাজাৰ টকা জব্দ কৰা হৈছে যদিও আনটো লকাৰৰ পৰা একো উদ্ধাৰ হোৱা

( নপৃষ্ঠাত চাওক)

# লতাশিলত যুৱপ্ৰজন্মৰ হাৰ্টথ্ৰ'ব জুবিনক ৰাজহুৱা শ্ৰদ্ধাঞ্জলি ছাত্ৰ সন্থাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- যুৱপ্ৰজন্মৰ হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ অকাল মৃত্যুত শোকস্তব্ধ হৈ পৰিছে লাখ লাখ অনুৰাগী। নৱপ্ৰজন্মৰ প্ৰাণস্পন্দন জুবিন গাৰ্গৰ ছিংগাপুৰত দুৰ্ঘটনাগ্ৰস্ত হৈ মৃত্যু হোৱাৰ খবৰ বিয়পি পৰাৰ পাছতে সমগ্ৰ বিশ্বৰ লগতে অসমৰ বিভিন্ন স্থানত স্বতঃস্ফূৰ্তভাৱে হাজাৰ হাজাৰ লোকে চাকি, মমবাতি জ্বলাই শিল্পীগৰাকীৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰি ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত গুৱাহাটীৰ

( নপৃষ্ঠাত চাওক)

# শাৰদীয় দুৰ্গোৎসৱক লৈ আৰক্ষী-প্ৰশাসনৰ নীতি-নিৰ্দেশনা জাৰি




ৰঙিলী বাৰ্ত্তাসেৱা- শাৰদীয় দুৰ্গা পূজা লৈ মাজত মাত্ৰ কেইটামান দিন বাকী। ইতিমধ্যে ৰাজ্যৰ পূজা সমিতিসমূহে প্ৰস্তুতি আৰম্ভ কৰিছে । শাৰদীয় দুৰ্গোৎসৱক লৈ প্ৰস্তুতি অব্যাহত থকাৰ সময়তে মহানগৰীৰ সকলো পূজা মণ্ডপত ধূমপান-সুৰা নিষিদ্ধ এলেকা ৰূপে গঢ়ি তোলাত কামৰূপ মহানগৰ জিলা প্ৰশাসনে জোৰ দিছে। ৰাজ্যৰ পূজা মণ্ডপবোৰত প্ৰতিবছৰেই সুৰাৰ ব্যাপক পয়োভৰৰ অভিযোগ উঠাৰ সময়তে মহানগৰ জিলা প্ৰশাসন-আৰক্ষীয়ে সকলো পূজা মণ্ডপ সুৰামুক্ত কৰাৰ বাবে কঠোৰ নিৰ্দেশনা জাৰি কৰিছে। এই সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ বৈঠক কামৰূপ মহানগৰ জিলা প্ৰশাসন আৰু মহানগৰ আৰক্ষীৰ সৈতে কামৰূপ মহানগৰৰ অধীনৰ পূজা সমিতিৰ প্ৰতিনিধিসকলৰ লগত জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। মহানগৰ আৰক্ষী আয়ুক্ত পাৰ্থসাৰথি মহন্তই বৈঠকত অংশ লৈ সকলো পূজা সমিতিকে যাৱতীয় নীতি-নিৰ্দেশনা মানি শান্তিপূৰ্ণ আৰু সুশৃংখলিতভাৱে পূজা উদ্যাপন কৰাৰ আহ্বান জনায়। পূজাৰ সময়ছোৱাত পূজা সমিতি তথা ৰাইজক সকলো প্ৰকাৰে সহায়-সহযোগিতা কৰিবলৈ মহানগৰ আৰক্ষী সদায়েই দায়বদ্ধ থাকিব বুলি তেওঁ লগতে কয়। উল্লেখ্য যে এই গুৰুত্বপূৰ্ণ বৈঠকত সমাগত

( নপৃষ্ঠাত চাওক)

# ধুবুৰীৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক লীনা দলেক শাস্তিমূলক বদলি



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্য চৰকাৰৰ গৃহ বিভাগে গোলকগঞ্জত গণতান্ত্ৰিক-ভাবে প্ৰতিবাদ সাব্যস্ত কৰা নিৰীহৰ ওপৰত আৰক্ষীয়ে নিৰ্বিচাৰ লাঠীচালনা-আক্ৰমণ কৰা ঘটনাক লৈ কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে। ধুবুৰী জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক বহু বিতৰ্কিত লীনা দলেক শাস্তিমূলক বদলি কৰা হ'ল। এই সন্দৰ্ভত গৃহ বিভাগে এক গুৰুত্বপূৰ্ণ নিৰ্দেশনা জাৰি কৰে। নিৰ্দেশনা অনুসৰি ধুবুৰী জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক লীনা দলেক পৰৱৰ্তী হুকুম নিদিয়া পৰ্যন্ত অসম আৰক্ষীৰ উলুবাৰীস্থিত মুখ্য কাৰ্যালয়ত সংলগ্ন কৰা হৈছে। লীনা দলেৰ পৰিৱৰ্তে সাময়িকভাৱে ধুবুৰী জিলাৰ জ্যেষ্ঠ

( নপৃষ্ঠাত চাওক)

### জুবিন গাৰ্গক লৈ অশ্ৰুঅঞ্জলি

# এটা নক্ষত্ৰ হেৰাই গ'ল



**আয়শা ছিদ্দিকা (আছৰি), বাংলিপাৰা, বৰপেটা**

মানুহৰ জীৱনত কিছুমান সময় আহে যি সময়বোৰ পুৰণি ইতিহাসক ভাঙি দিয়ে আৰু নতুন ইতিহাসৰ পাত খোলে। অসমবাসীৰ বাবে ১৯ ছেপ্টেম্বৰ, ২০২৫ তাৰিখটো তেনে এটা সময় হৈ পৰিল। কণ্ঠৰ যাদুৰে কোটি কোটি হৃদয় জয় কৰা শিল্পী, অসমবাসীৰ বুকুৰ স্পন্দন জুবিন গাৰ্গৰ অকাল প্ৰস্থানৰে যেন এটা যুগৰ অন্ত ঘটিল।

জুবিন গাৰ্গ মাথোঁ এজন গায়ক নাছিল তেওঁ আছিল প্ৰতিজন অসমীয়াৰ হৃদয়ৰ দীপ্ত শিখা, আশাৰ ৰেঙনী, নতুনত্বৰ সপোন আৰু নতুন প্ৰজন্মৰ মুখপত্ৰ। শৈশৱৰ গানৰ পৰা যৌৱনৰ উন্মাদনা আৰু আকালৰ কান্দোন প্ৰতি অৱস্থাত তেওঁৰ সুৰে অসমবাসীৰ অন্তৰ স্পৰ্শ কৰিছিল। তেখেতৰ গীত এটা জীৱন্ত যুগৰ প্ৰতিচ্ছবি হৈ জিলিকি ৰ'ব চিৰদিনলৈ।

অসমবাসীৰ বাবে তেখেত এজন শিল্পী নহয় মাথোঁ জীৱনৰ একোটা অংশ হিচাপে জ্ঞান কৰে। তেওঁ আছিল গাঁও ঘৰৰ ৰেডিঅ'ৰ পৰা চহৰীয়া মঞ্চলৈ ধ্বনিত হোৱা এক সজীৱ স্বত্তা। তেওঁৰ মৃত্যুৰ খবৰে সমগ্ৰ অসম শোকাস্তব্ধ হৈ পৰিলে। সকলো হৃদয়ত একে বিষাদৰ বেদনাৰ ঢৌ তুলিছে। অসমৰ পৰা যেন এটা গানৰ যুগ শেষ হ'ল। অসমবাসীয়ে এটা নক্ষত্ৰ হেৰুৱালে। হেৰুৱালে এজন স্পষ্ট বাদি, কোমল মনৰ অধিকাৰী, সকলোকে সন্মুখত সমালোচনা কৰা এজন ব্যক্তিক।

তেখেতৰ বিয়োগৰ বাতিৰিয়ে গাঁও-চহৰৰ পথ, সামাজিক মাধ্যম, শিক্ষাপীঠৰ পৰা ৰাজনৈতিক মঞ্চলৈ, সৰ্বত্ৰ একে শোকৰ ধ্বনি। বুকুখনত চিন-চিনীয়া ব্যথা উপলব্ধ হৈ আছে যেন কোনোবাই কলিজাৰ এটা অংশ ছিঙি লৈছে। কিমান কান্দিলেও উভতি নাহে এই বেদনাই অসমবাসীক একত্ৰিত কৰি শোকত মিলাই দিলে। যদিও জীৱনৰ যাত্ৰা থমকি গ'ল, মাত্ৰ দেহ হে ধূলিৰ মিলি যাব কিন্তু তেখেত আমাৰ হৃদয়ত জীয়াই থাকিব অমৰ হৈ চিৰদিন চিৰকালোলৈ।

জুবিন গাৰ্গৰ গানবোৰে যুগে যুগে নতুন প্ৰজন্মক অনুপ্ৰাণিত কৰি যাব। তেওঁৰ কণ্ঠত ভৰা প্ৰেম, সাহস, বিদ্ৰোহ আৰু মৰম সদায় প্ৰতিধ্বনিত হ'ব। অসমবাসীৰ বাবে তেওঁ এক জীৱন্ত স্মৃতি, যি কালক্ৰমেও মলিন হ'ব নোৱাৰে। তেওঁ এট ধ্বনি, এটা অনুভৱ । সেই অনুভৱ সদায় অমৰ হৈ থাকিব।

অসমক বিশ্বমান চিত্ৰত লৈ যোৱা শিল্পী হিচাপে জুবিন গাৰ্গে অসমবাসীক দিছে গৰ্বৰ এক নতুন ৰূপ। অসমীয়া ভাষা, সংস্কৃতিত তেখেতৰ অৱদান অবিহনে অসম্পূৰ্ণ। বলিউডৰ পৰা টলিউডলৈ, দেশৰ পৰা বিদেশলৈ সকলোতে তেখেতৰ সুৰৰ ঝংকাৰ বিদ্যমান।

জুবিন গাৰ্গ মাথোঁ এটা সাধাৰণ নাম নহয়, নহয় মাথোঁ এজন সাধাৰণ মানুহ ই অসমীয়া জাতিৰ গৌৰৱৰ প্ৰতীক। অসমীয়াৰ চকুৰ মণি সোণৰ টুকুৰা। এটা যুগৰ অন্ত হ'লেও এটা নতুন যুগৰ আৰম্ভণি জুবিন গাৰ্গৰ সুৰত সজীৱ হৈ থাকিব। তেওঁ যোৱা নাই, তেওঁ আছে গীতৰ প্ৰতিটো সুৰত, প্ৰতিটো হৃদয়ত। তেওঁৰ গানেই হ'ব আগন্তুক প্ৰজন্মৰ প্ৰেৰণা, সাহস আৰু স্বপ্নৰ পথদৰ্শী।

কিছুমান মৃত্যু মানি ল'ব নোৱাৰোঁ। যদিও মৃত্যু এক চিৰ সত্য। তথাপিও এই বাতৰি মনে নামানে। এনে লাগে খবৰটো মিছা হওক, উৰাবাতৰি হওক। কিন্তু বাস্তৱ যে বৰ কঠিন। তেখেতৰ বিয়োগত গোটেই বিশ্বই স্তব্ধ। এই বিয়োগ মাত্ৰ দেহৰ বিয়োগ অন্তৰৰ পৰা কেতিয়াও বিয়োগ নহয়। তেখেতে গোৱাত দৰে এতিয়া ক'ব লাগে সঁচাই মৃত্যুও এতিয়া সহজ। হৃদয়ৰ সমস্ত মৰম ঢালি তেখেতলৈ অশ্ৰুঅঞ্জলি যাচিলোঁ। জুবিন দা য'তেই আছা ভালে থাকা।

"মানুহক দুখ দি ঈশ্বৰক পূজা কৰি লাভ নাই, দুখী জনৰ মুখত হাঁহি বিৰিঙাব পাৰিলেই ঈশ্বৰ সেৱা কৰা হয়।"
-জুবিন গাৰ্গ

## এই মৃত্যু অকল্পনীয়



**ইভা গন্ধীয়া ফুকন**

মৃত্যু চিৰন্তন সত্য
তথাপি এই মৃত্যু অকল্পনীয়
ক্ষণিকতে এটি উজ্জ্বল নক্ষত্ৰ
সৰি পৰিল সংগীত আকাশৰ পৰা
নিস্বাৰ্থ স্পষ্টবাদী নিৰ্ভিক জাতিৰ কণ্ঠ নাইকীয়া হ'ল
বুকুৰ মাজত বাজে শূণ্যতাৰ ৰাগ
গীতৰ ৰগিনীৰে সুৰৰ বন্যা বোৱাই
কোনে গাব ভিন্ন ভাষাৰ গীত
কোনে গাব শুৱলা বৰগীত -ভটিমা
কোনে গাব আইনাম ধাইনাম বিহুগীত ঐনিতম
কোনেনো পোহৰাব জগত
সহানুভূতিৰে দুহাত মেলি
কোনে ল'ব নিঃস্ব জনক আকোঁৱালি
পৰিচালক নায়কৰ ভুমিকা লৈ
কোনে মাৰিব ভুমুকি চলচ্চিত্ৰ জগতত
আজি প্ৰতিজন অনুৰাগীৰ হৃদয়ত
গভীৰ শোকৰ ছাঁ
আশা আছিল বহুত দেশৰ
আস্থা আছিল বহুত জনতাৰ
অকল্পনীয় মৃত্যুত
সকলো আশাত চেঁচা পানী পৰিল
ডেকাৰ পৰা বৃদ্ধলৈ সকলো গুণমুগ্ধলৈ
এক বুজাব নোৱাৰা মায়াৰ জাল গাঁঠি
অজান মুলুকলৈ গ'লা আঁতৰি
বিশাল সাগৰে ল'লে অসমৰ মুকুতা সাৰটি
অপুৰণীয় ক্ষতি সহো কেনেকৰি
হে প্ৰাণৰ শিল্পী তোমাৰ গীতেৰে
অমৰ হৈ থাকিবা
ধৰা থাকে মানে থাকিব বাজি
প্ৰতিজন অনুৰাগীৰ হৃদয়ে হৃদয়ে ।


## জয় জুবিন দা



**সমুজ্জ্বল ডেকা, ৰঙিয়া**

'জু' আখৰেৰে হৃদয়ত জুৰ পেলাই যোৱা,
'বি' আখৰেৰে বিশাল মনৰ মানৱ হোৱা।
'ন' আখৰেৰে নতুন আশা জগাই তোলা,
আপুনি অসমৰ মানুহৰ বুকুৰ আপোন।
"জয় জুবিন দা" বুলি কোৱা অজস্ৰ
জনতাৰ চিঞৰত বৰষে
সীমাহীন মৰমৰ টোপাল।
আপোনাৰ কণ্ঠত আছে অসীম যাদু,
ৰাইজৰ বাবে আপুনি বিশ্বাসৰ সাধু।
গায়ক, সুৰকাৰ, গীতিকাৰৰ লগতে
আপুনি এজন সমাজসেৱক,
হেজাৰ হেজাৰ সুৰেৰে
আপুনি মহান গায়ক ।
টোপনি নাহিলেও আহি যায় টোপনি,
কেৱল আপোনাৰ গীত শুনি।
জ্ঞানৰ জেউতিৰে আপুনি মহান জুবিন দা,
চিনেমা, গান আদিৰে প্ৰখৰ জুবিন দা।
"মন যায়" বুলি কোৱা শব্দ দুটিতে
বিদ্যমান আপোনাৰ কৰ্মৰ ৰচনা,
কৈও অন্ত কৰিব নোৱাৰি জুবিন দা'ৰ বৰ্ণনা।

# অসমীয়া ভাষা সাহিত্য সংস্কৃতিলৈ মহাপুৰুষ শ্ৰী শ্ৰীমাধৱদেৱৰ অৱদান



শ্ৰী মন্ত শঙ্কৰ হৰি ভকতৰ
জানা যেন কল্পতৰু ।
তাহান্ত বিনাই নাহি নাহি নাহি
আমাৰ পৰম গুৰু ।

শ্ৰীমন্ত শংকৰদেৱৰ পৰম শিষ্য আছিল মহাপুৰুষ শ্ৰী শ্ৰী মাধৱদেৱ। তেওঁৰ ১৪১১শকাব্দ ১৪৮৯খৃষ্টাব্দত উত্তৰ লক্ষ্মীমপুৰৰ নাৰায়ণপুৰ লেটেকু পুখুৰীত জন্ম হৈছিল। পিতৃৰ নাম গোবিন্দ গিৰি ভূঞা আৰু মাতৃৰ নাম মনোৰমা। এগৰাকী ভনীয়েক আছিল নাম উৰ্বশী। তাইক ৰাম দাস আতৈৰ সৈতে বিয়া দিছিল।

মহাপুৰুষ মাধৱদেৱে প্ৰথমতে পূজা পাতল কৰিছিল কিন্তু এটি ঘটনাৰ পৰা শ্ৰীমন্ত শঙ্কৰদেৱৰ লগত মণিকাঞ্চন সংযোগ হোৱাৰ পিছত এক শৰণ বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰিছিল। এয়া সম্ভৱ হৈ মহাপুৰুষ মাধৱদেৱৰ ভনী জোৱাই ৰাম দাস আতৈৰ যোগেদি। ঘটনাটো এনে ধৰণৰ মহাপুৰুষ মাধৱদেৱ শাক্ত ধৰ্মত বিশ্বাসী। এবাৰ মাধৱদেৱৰ মাতৃ মনোৰমা টান নৰিয়াত পৰিল বহুত বেজ ওজা লগোৱাৰ পিছত সুফল নাপালে। তেতিয়া দেৱীক পঠা ছাগলী এটা দিম বুলি মনে মনে তেওঁ প্ৰতিজ্ঞা কৰিলে। কিছুদিন পিছতে মাতৃৰ বেমাৰ ভাল হ'ল। তেতিয়া ভনী জোঁৱাই ৰাম দাস আতৈক এটা পঠা ছাগলী আনিব দিলে কিন্তু তেওঁ নানিলে কাৰণ ৰাম দাস আতৈ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱক গুৰু ভজিছিল। শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনা এক শৰণ বৈষ্ণৱ ধৰ্মৰ বিশ্বাসী আছিল। পূজা পাতল বিৰোধিতা কৰিছিল। মহাপুৰুষ গুৰুজনাৰ মতে এটা জীৱ বধ কৰি আন জীৱ কেতিয়াও সুখী হ'ব নোৱাৰে এই সকলোবোৰ শিষ্য সকলক বুজাইছিল। শিষ্য হিচাপে ৰাম দাস আতৈয়ে হৃদয়ত অনুভৱ কৰি মহাপুৰুষ মাধৱদেৱক ক'লে- এইবোৰ শুনি মহাপুৰুষ মাধৱদেৱৰ খং উঠিল, কোন এই শঙ্কৰদেৱ? যি দেৱী মাক অৱজ্ঞা কৰে তেওঁক এবাৰ পৰীক্ষা কৰি চাব লাগিব। তাৰ পিছত শ্ৰীমন্ত শংকৰদেৱক সাক্ষাত কৰিলে, মহাপুৰুষ মাধৱদেৱ আৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ শাস্ত্ৰৰ ওপৰত এখন বাকযুদ্ধ হয়। শ্ৰীমন্ত শংকৰদেৱে ভাগৱত বেদ শ্লোক আদি সকলো যুক্তি দি থাকিল মহাপুৰুষ মাধৱদেৱেও নিজৰ যুক্তি আগবঢ়ালে শেষত মহাপুৰুষ মাধৱদেৱ পৰাভূত হ'ল আৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ শৰণ ল'লে। তেতিয়াৰ পৰাই

(বাৰপৃষ্ঠাত চাওক)


**অনামিকা (সংগীতা)কলিতা, শুৱালকুছি**

# শুভ সন্ধিয়া


জাহ্নৱী দেৱী, ডিব্ৰুগড়

সন্ধিয়াৰ শুভ ক্ষণত
সোঁৱৰণিৰ পৃষ্ঠা লুটিয়াই
চাওঁ, শুভ্ৰ শেৱালিৰ সুবাস
বিচাৰি পাওঁ নেকি?
শাৰদী ৰাণীৰ আগমনত
ধৰাৰ জীপাল মিচিকিয়া হাঁহি
বিয়পি পৰিছে চৌপাশে।
শান্ত, সৌম্য শুভ্ৰ বসনৰে
শাৰদী ৰাণী আগমণত
সকলোৰে উৎফুল্লিত হৈছো।
আকাশে বতাহে বিলীয়মান
শুভ্ৰ শেৱালিৰ আমোলমোল সুবাস।

# তীৰ্থনগৰী হাজো - সমন্বয়ৰ পূণ্যভূমি



**মূল- সত্যজিৎ চৌধুৰী**
**অনুবাদ- যুগান্ত দাস**

অসম ভ্ৰমণত ভ্ৰমণকাৰীসকলৰ ভ্ৰমণ তালিকাত থাকে মা কামাখ্যা মন্দিৰ দৰ্শন আৰু গুৱাহাটী চহৰৰ মাজ মজিয়াত থকা অন্যান্য দ্ৰষ্টব্য স্থান যেনে- শুক্লেশ্বৰ ঘাট, উমানন্দ মন্দিৰ, বশিষ্ঠ মন্দিৰ, বালাজী মন্দিৰ ইত্যাদি। যি সকল লোক ঐতিহাসিক প্ৰত্নতাত্বিক নিদৰ্শন চাবলৈ উৎসাহী, এটা দিন হাতত লৈ ঘূৰি আহিব পাৰে গুৱাহাটী চহৰৰ পৰা মাত্ৰ ৩২ কি. মি. দূৰত অৱস্থিত তীৰ্থ নগৰী হাজো।

হিন্দু, মুছলিম আৰু বৌদ্ধ এই তিনি ধৰ্মাৱলম্বী লোকৰ বাবে হাজো এক পবিত্ৰ পূণ্য ভূমি। ইয়াৰ মাজৰ অন্যতম হাজোৰ মণিকূট পৰ্বত নাম এটিৰ টিলাৰ ওপৰত অৱস্থিত পূণ্য তীৰ্থ হয়গ্ৰীৱ মাধৱ মন্দিৰ। ইয়াত বিষ্ণুৰ অৱতাৰ হয়গ্ৰীৱৰ পূজা - অৰ্চনা কৰা হয় । সংস্কৃত ভাষাত 'হয়' মানে ঘোঁৰা আৰু 'গ্ৰীবা'ৰ অৰ্থ মূৰ। সেয়ে মন্দিৰক 'হয়গ্ৰীৱ মন্দিৰ' বুলিও সম্বোধন কৰা হয়। বৌদ্ধ ধৰ্মাৱলম্বীসকলৰ বাবেও ই এক পবিত্ৰ স্থান। ভক্তসকলে বিশ্বাস কৰে যে গৌতম বুদ্ধ, শৰীৰ ত্যাগ কৰি এই স্থানলৈ আহি মোক্ষ বা নিৰ্বাণ লাভ কৰিছিল।

কিংবদন্তী প্ৰবাদ অনুসৰি 'মধু' আৰু 'কৈটভ' নামৰ দুইজন অসুৰে বেদৰ সৃষ্টিৰ সময়ত ব্ৰহ্মাৰ ওচৰৰ পৰা বেদ চুৰ কৰি লৈ যায়। ব্ৰহ্মাই বিষ্ণুক নিদ্ৰাৰ পৰা জগাই বেদ উদ্ধাৰৰ বাবে অনুৰোধ কৰে। তেতিয়া বিষ্ণুৱে 'হয়গ্ৰীৱ' ৰূপ ধৰি পাতালত প্ৰৱেশ কৰে আৰু বেদসমূহ উদ্ধাৰ কৰি ব্ৰহ্মাৰ হাতত ওভতাই দিয়ে। তাৰ পিছত বিষ্ণুৱে উত্তৰ-পূৰ দিশত শয়ন কৰে। মধু আৰু কৈটভ ঘূৰি আহি বিষ্ণুক যুদ্ধৰ বাবে আহ্বান কৰে। সেই যুদ্ধত বিষ্ণুৱে অসুৰ দুজনক পৰাস্ত কৰে।

কালিকা পুৰাণ মতে, এই তীৰ্থস্থানৰ প্ৰতিষ্ঠাতা ঔৰ্ব ঋষি। ভগৱান বিষ্ণুৱে ঔৰ্ব ঋষিৰ তপস্যা ভঙ্গকাৰী জ্বৰাসুৰ, হয়াসুৰ ইত্যাদি পাঁচজন অসুৰক বধ কৰি হয়গ্ৰীৱ মাধৱ নামে এই পৰ্বতত অৱস্থান কৰে। হয়গ্ৰীৱ মন্দিৰ এটা প্ৰাচীন মন্দিৰ হ'লেও বৰ্তমানৰ নিৰ্মাণ পৰৱৰ্তী সময়ৰ। কালাপাহাৰে প্ৰাচীন মন্দিৰ ভঙাৰ পিছত কোচৰজা ৰঘুদেৱে ১৫৪৩ খ্ৰীষ্টাব্দত মন্দিৰটো পুনৰনিৰ্মাণ কৰে। কিছুসংখ্যক ঐতিহাসিক বিদৰ মতে পাল বংশৰ ৰজাই ষষ্ঠ শতাব্দীতে এই মন্দিৰ নিৰ্মাণ কৰিছিল।

হয়গ্ৰীৱ মন্দিৰ শিলেৰে নিৰ্মিত। মন্দিৰটোৰ গাত হাতীৰ প্ৰতিমূৰ্তি খোদিত কৰা আছে। এই বিলাক অসমীয়া স্থাপত্যৰ নিদৰ্শন বুলি উল্লেখ কৰা হয়। সমস্ত মন্দিৰটো ইটাৰ স্তম্ভৰ ওপৰত স্থাপিত, যিবিলাক মূল মন্দিৰৰ লগত পৰৱৰ্তী সময়ত সংযোগ কৰা হৈছে বুলি অনুমান কৰা হয়।

মন্দিৰটো তিনিটা ভাগত বিভক্ত- গৰ্ভগৃহ (তল ভাগ), মধ্য ভাগ আৰু শিখৰ (ওপৰ ভাগ)। মন্দিৰলৈ যোৱা বাটটো গ্ৰেনাইট শিলেৰে নিৰ্মিত। মন্দিৰৰ বাহিৰৰ বেৰত

# ভূমিকম্পৰ আৱাহন



**মুজাম্মেল হ'ক, গুৱাহাটী**

মৃত্যুৱে শেষ কৰিব নোৱাঁৰা সাহস
কোৱা লাগে কাক,
দুখীয়া বেমাৰীৰ শেষ নিশ্বাস গৈ
জগালে সমাজক।
চিকিৎসা 'ফ্ৰী' কিন্তু কিমান ভাল
দুখীয়াৰ নাই যে টকা,
মৃত্যু উপত্যকাত ধনীলোক নাহে চোন
'ফ্ৰী' চিকিৎসা যে বেঁকা।
মৰ্ত্যৰ মানুহৰ মাজত মূল্যহীন পুৰুষ
নাথাকিলে টকা 'ইনকাম',
বিলাসী ভদ্ৰলোকৰ ঘৰৰ কুকুৰ হ'লে
দৰিদ্ৰতকৈ থাকে বেছি দাম।
দেহা মাৰি কাম কৰি শূণ্য অধিকাৰ
হৃদয় হয় ক্ষয় বাৰে-বাৰে,
অত্যাধুনিক শিক্ষিত মানুহবোৰে কিন্তু
ভূমিকম্পকহে ভয় কৰে।

# A Tribute to the Legend – Zubeen Garg



**Siddharth Roy, Rehabari**

Assam bows today with tearful pride,
For its dearest son has crossed the tide.
Your voice was our anthem, our guiding flame,
Zubeen Da, the legend, a forever name.
You carried Assam in every song,
Her fields, her rivers, her rights, her wrongs.
In every note, our land would speak,
Strong for the strong, tender for the weak.
His voice was thunder, his voice was rain,
A healing whisper in times of pain.
From Ya Ali, Mayabini to the folk of home,
He carried our spirit wherever he roamed.
From folk to film, from stage to street,
You gave the world a rhythm so sweet.
Assam was proud, the nation too,
That such a voice to its heart was true.

No hall too small, no crowd too far,
You sang for the people, just who they are.
Your music healed, your spirit inspired,
A legacy vast, a soul admired.
Oh, how cruel is the hand of fate,
To silence a heart that sang so late.
The river weeps, the hills all mourn,
A son of Assam, too soon, is gone.
Today the stage feels empty, still,
Yet your echoes rise from every hill.
Bihu will dance with your songs again,
Your voice will flow like monsoon rain.
Assam stands tall, though broken inside,
For you were her heartbeat, her boundless pride.
Rest, dear Zubeen da, your journey complete,
A legend eternal, a soul so sweet.
Forever in songs, forever in fame,
Assam will cherish your hallowed name.
Not just a singer, but history's part,
You live on, Zubeen da, in every heart.

# ধৰাৰ বুকুলৈ দেৱীমাৰ আগমন



বৰ্ষাৰ কিন্ কিনিয়া বৰষুণৰ অন্তত শৰতৰ আগমনে কঢ়িয়াই আনে নিয়ৰসনা ৰাতিপুৱাৰ তলসৰা শেৱালীৰ সুৱাস। হালি জালি জিলমিল কৈ থকা কহুৱা বনে আহিনৰ আচলত ধৰি শৰতৰ আগমন ঘটাই। শৰৎ মানেই যেন দুৰ্গোৎসৱ। দুৰ্গতিনাশিনী দেৱী মাৰ আগমন ঘটে মহালয়াৰ পৰা। প্ৰৱাদ মতে মহালয়াৰ এই দিনটোৰ পৰাই শুভ শক্তিৰ আগমন ঘটে।

**নমিতা দাস, শুৱালকুছি শান্তিতোল**

এইবাৰ ২১ ছেপ্তেম্বৰ দেওবাৰৰ দিনা মৰ্ত্যলৈ নামি আহিব দেৱী মা', দেৱীমাক ধৰা লৈ আমন্ত্ৰণ জনাৱা প্ৰৰ্থনাটোৱে হৈছে মহালয়া। মহালয়া সংস্কৃত অৰ্থ হৈছে "মহা" মানে "মহান" "লয়" মানে "আলয়" বা "মহান আশ্ৰয়" আন এক দাৰ্শনিক মত অনুসৰী "মহা" মানে "পৰম" আৰু "লয়" মানে "বিলিন" হোৱা কিছুমানে "লয়" মানে "তৰঙ্গ" বুলিও অভিহিত কৰে। অৰ্থাৎ যৰ পৰা আকৰ্ষণ - বিকৰ্ষণ সৃষ্টি হয়। যি পৰম তত্বৰ পৰা সকলো তত্ব সৃষ্টি হয়। যত সকলো বিলীন হৈ যায় ।

প্ৰৱাদ মতে এই মহালয়াৰ বিশেষ দিনটোতে শুভশক্তিৰ আগমন ঘটাই এই দিনটোত দেৱীৰ সংস্পৰ্শ লাভ কৰিলে সকলো অশুভ শক্তিৰ বিনাস হয় বুলি লোক সকলৰ মাজত বিশ্বাস আছে । মহালয়াৰ দিনৰ পৰা পিতৃ পক্ষৰ অবসান ঘটাই আৰু দেৱী পক্ষৰ সুচনা হয়। এই দিনটোত পৰিয়ালৰ ব্যক্তি সকলে পূৰ্ব পুৰুষ সকলক স্মৰণ আৰু তৰ্পন কৰি জলপ্ৰদান কৰিলে নৰকত থকা লোক সকলৰ সকলো পাপ মোচন হৈ মুক্তি লাভ কৰে বুলি জনবিশ্বাস আছে। আনকি পুৰ্বৰ পুৰুষৰ মুক্তি লাভে ধৰাত থকা লোক সকলকো আৰ্শিবাদ প্ৰদান কৰে বুলি লোক সকলৰ মাজত পূৰ্বৰে পৰা বিশ্বাস কৰা হয়। ভগৱানশ্ৰী ৰামচন্দ্ৰই ও তেওঁৰ পুৰ্বৰ পুৰুষ সকলৰ মাজত তৰ্পন আগবঢ়াই আৰ্শিবাদ লাভ কৰিছিল বুলি বিশ্বাস কৰা হয়।

হিন্দু ধৰ্মৰ পৌৰাণিক কাহিনী অনুসৰী মহালয়াৰ এই দিনটোতে ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰে লগ হৈ অসুৰ মহিষাসুৰক বধ কৰিবলৈ দেৱী দুৰ্গাক সৃষ্টি কৰিছিল বুলি বিশ্বাস কৰা হয় । সাধাৰণতে মহালয়াৰ সেই দিন টোৰ পৰাই দুৰ্গাপূজাৰ আৰম্ভনী বুলি ধৰা হয়। সপ্তম দিনা পুজা আৰম্ভ কৰি দশম দিনা পুজা শেষ কৰা হয়। সেয়ে ভক্তগনে এই ন দিন উপবাসে থাকি দেৱী মাৰ নটা ৰূপক পুজা কৰে।

দেৱী দুৰ্গা মায়ে তেওঁৰ সন্তান লক্ষ্মী, সৰস্বতী, কাৰ্তিক আৰু গণেশৰ সৈতে নাওঁ, হাতী, ঘোৰা অথবা দোলাত কৈলাশৰ পৰা ধৰা লৈ আহি অসুৰ মহিষাসুৰক বধ কৰি পৃথিৱীত থকা তেওঁৰ ভক্তগনক আৰ্শিবাদ প্ৰদান কৰিছিল। সেয়েহে এই মহালয়াৰ দিনটোত ভক্তগনে পুৱাতে উঠি দেৱী দুৰ্গামাক উপাসনা কৰে বুলি বিশ্বাস কৰা হয়।

মহালয়াৰ আৰম্ভৰ লগে লগে মৃন্ময় শিল্পী সকলে দেৱী মাৰ চকুত ৰঙা ৰঙৰ প্ৰলেপ সানিবলৈ আৰম্ভ কৰে তেতিয়াই নিৰ্জিৱ মুৰ্তিটোৱে জাগ্ৰত ৰূপ লয় বুলি জনবিশ্বাস আছে। এইদৰেই প্ৰতিটো বছৰতে মহালয়াৰ পৰাই দুৰ্গোৎসৱ আৰম্ভ কৰা হয়।

# তীৰ্থনগৰী হাজো - সমন্বয়ৰ

বিষ্ণুৰ দশাৱতাৰৰ বৰ্ণনা কৰা ভাস্কৰ্য আছে, যাৰ ভিতৰত নৱম অৱতাৰ 'বুদ্ধদেৱ' অন্যতম । অন্যান্য ভাস্কৰ্য বিলাক চিনাক্ত কৰিব পৰা নগ'লেও বেছি ভাগেই পুৰুষাকৃতিৰ আৰু হাতত ত্ৰিশূল লৈ আছে । মূল মন্দিৰৰ ওচৰত আহোম ৰজা প্ৰমত্ত সিংহই নিৰ্মাণ কৰা এটা সৰু মন্দিৰ আছে। ইয়াত প্ৰতিবছৰে দৌল উৎসৱ ধুমধামেৰে পালন কৰা হয়। মাধৱ মন্দিৰৰ সন্মুখত 'মাধৱ পুখুৰী' নামৰ এটা ডাঙৰ পুখুৰী আছে । পুখুৰীত শতায়ু গৰকা কাছবিলাক দেখিবলৈ পোৱা যায়।

মণিকূট পৰ্বতৰ পাদদেশত 'চৈতন্য ঘোপা' নামৰ এটা গুহা আছে। প্ৰাচীন পুথিপত্ৰৰ মতে শ্ৰী চৈতন্য মহাপ্ৰভু, কোচৰজা নৰনাৰায়ণৰ ৰাজত্ব কালত অসমলৈ আহে আৰু ভাগৱত প্ৰচাৰ কৰে । শঙ্কৰদেৱ আৰু শঙ্কৰ শিষ্য দামোদৰদেৱৰ সৈতে শ্ৰীচৈতন্যৰ সাক্ষাৎকাৰ আদি প্ৰসংগৰ নানা তথ্য ও পোৱা যায়। যোগিনী তন্ত্ৰৰ কাহিনী মতে উড়িষ্যাৰ ৰজা ইন্দ্ৰদুম্ন্যই সপোনত পোৱা পুৰীৰ সমুদ্ৰতীৰত ভাঁহি অহা বিশাল গছডাল কুঠাৰেৰে সাতটি খণ্ড কৰিছিল। তাৰ মাজৰ দুটি খণ্ড কামৰূপলৈ লৈ আহি তাৰ পৰা হয়গ্ৰীৱ আৰু মাধৱৰ (মৎস্য অৱতাৰ) বিগ্ৰহ তৈয়াৰ কৰে। অৰ্থাৎ ক'ৰবাত যেন জগন্নাথ পুৰীৰ লগত কামৰূপৰ হয়গ্ৰীৱ মাধৱ মন্দিৰৰ সম্পৰ্ক আছে। কথিত আছে, পুৰী জগন্নাথ মন্দিৰ দৰ্শনৰ পিছত অসমৰ এই নীলমাধৱ মন্দিৰ দৰ্শন নকৰিলে পূণ্য লাভ নহয়।

হাজোৰ লগত বংগৰ এটা যোগসূত্ৰৰ কথা এই প্ৰসংগত উল্লেখ কৰি পৰা যায়। কথিত আছে যে, সপ্তদশ শতিকাৰ শেষভাগত মুঘল সকলে হাজোত বুলবুলি চৰাইৰ যুঁজ আৰম্ভ কৰিছিল। ভোগালী বিহুৰ (মাঘ সংক্ৰান্তি) দিনা মণিকূট পাহাৰৰ মাধৱ মন্দিৰৰ চোতালত এই যুঁজৰ আয়োজন কৰা হয়। ঊনৈশ শতিকাত কলকাতাৰ বাবুসকলে হাজোৰ পৰা এই বুলবুলি চৰাইৰ যুঁজৰ পৰম্পৰা বংগলৈ লৈ আহে।

হাজো চহৰৰ প্ৰৱেশদ্বাৰত গৰুড়াচল পৰ্বতৰ ওপৰত অৱস্থিত মুছলমান ধৰ্মাৱলম্বীসকলৰ উপাসনাৰ স্থল পোৱামক্কা। ইয়াত মছজিদ আৰু মাজাৰৰ দুটা অংশ বিৰাজমান হৈ আছে। কামৰূপ প্ৰদেশৰ প্ৰথম মুছলমান ধৰ্ম প্ৰচাৰক চুলতাল গিয়াচুদ্দিন আউলিয়াৰৰ সমাধিস্থল। সম্ৰাট শ্বাহজাহানৰ ৰাজত্বকালত আৰু প্ৰিন্স চুজাৰ গভৰ্ণৰশ্বিপত ১৬৫৭ খ্ৰীষ্টাব্দত এই পবিত্ৰ মছজিদটো নিৰ্মাণ কৰা হৈছিল। কথিত আছে যে মক্কাৰ পৰা এক পোৱা মাটি এই মছজিদৰ ভিঠিত দিয়া হৈছিল, সেয়ে মছজিদটোৰ নাম পোৱামক্কা হৈছে। হিন্দু মুছলমান উভয় সম্প্ৰদায়ে এই তীৰ্থস্থানলৈ আহি মনোকামনা পূৰণৰ উদ্দেশ্যে সেৱা গ্ৰহণ কৰে। ভক্তসকলৰ বিশ্বাস যে এই স্থান দৰ্শন কৰিলে মক্কা দৰ্শনৰ পুণ্যৰ এক চতুৰ্থাংশ পুণ্য অৰ্জন হয়। ১৮৯৭ খ্ৰীষ্টাব্দৰ ডাঙৰ ভূমিকম্পত এই ঐতিহাসিক স্থানৰ কিছু অংশ ভাঙি পৰিছিল । পৰবৰ্তী সময়ত মুঘল খাদিমসকলৰ তত্বাৱধানত পুনঃনিৰ্মাণ কৰা হয় ।


অসম চৰকাৰ
JANASANYOG- 2154/25/21-Sept-25
সেৱাই সমৰ্পণ
সেৱা সপ্তাহ
১৭ ছেপ্টেম্বৰ - ২৫ ছেপ্টেম্বৰ ২০২৫
সমগ্ৰ বিশ্বৰে জনপ্ৰিয় নেতা, ৰাষ্ট্ৰৰ সৰ্বাংগীণ বিকাশ আৰু উন্নয়নৰ মাৰ্গদৰ্শক প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদীৰ ৭৫সংখ্যক জন্মদিনৰ লগত সংগতি ৰাখি অসম চৰকাৰে হাতত লৈছে এলানি ধ্বজাবাহী জনমুখী কাৰ্যসূচী
ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম
১৭ ছেপ্টেম্বৰ
স্বেচ্ছামূলক ৰক্তদান শিবিৰ
১৮ ছেপ্টেম্বৰৰ পৰা
বিধানসভা সমষ্টিভিত্তিত শিশুৰ বাবে মেগা স্বাস্থ্য শিবিৰ
১৯ ছেপ্টেম্বৰ
সেউজ অসম অভিযান- ২০,০০০খন শিক্ষানুষ্ঠান, চহৰ-নগৰ তথা গ্ৰামাঞ্চল আৰু অন্যান্য অনুষ্ঠান- প্ৰতিষ্ঠানত সৰ্বমুঠ ৩০ লক্ষাধিক গছপুলি ৰোপণ
২১ ছেপ্টেম্বৰ
“যুৱ লেখক সন্মান”ৰূপে ২৫,০০০ টকাৰ আৰ্থিক সাহায্য
২২ ছেপ্টেম্বৰ
যক্ষ্মা ৰোগীৰ বাবে ‘নি-ক্ষয়’ মিত্ৰ সাহায্য
২৩ ছেপ্টেম্বৰ
ধৰ্মীয় অনুষ্ঠানলৈ ভূমি পট্টা প্ৰদান
২৫ ছেপ্টেম্বৰ
অৰুণোদয় ৩.০
অৰুণোদয় ৩.০ শুভাৰম্ভণি - ৩৮ লাখ মহিলা/ পৰিয়াললৈ প্ৰত্যক্ষ লাভালাভ হস্তান্তৰ
সমাজৰ বাবে সেৱা, ৰাষ্ট্ৰৰ বাবে সমৰ্পণ
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Connect with us @diprassam dipr.assam.gov.in
অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি হোৱাটছএপ কৰক

# শিল্পী তোমাৰ দেহাৱসানত এটুপি চকুলোৰে শেষ শ্ৰদ্ধাঞ্জলি



**ৰাজলক্ষ্মী বৰঠাকুৰ,দেৰগাঁও**

জুবিন দা
গান মানেই তুমি,
অসমৰ স্পন্দন, যুৱপ্ৰাণৰ ৰিদম।
প্ৰতিটো সুৰত উচুপি উঠে,
ভালপোৱা, বিৰহ, উন্মাদনা-
এটা সম্পূৰ্ণ জীৱনৰ কাহিনী।
তোমাৰ কণ্ঠ
এজন কবিৰ কাব্য,
এজন বিপ্লৱীৰ হাঁহি,
এজন প্ৰেমিকৰ চকুপানী।
মঞ্চত তুমি বজ্ৰ,
শান্তিৰ সুৰত তুমি গগনৰ চাঁদ।
অতীত-ভৱিষ্যত
একে সুত্ৰত গাঁথি,
অসমক দিলা তুমি
এটা অমৰ পৰিচয়-
"সুৰৰ জুবিন দা"।

# খহি পৰিল সূৰ্যটো



**হেৰম্ব নাথ**

(হিয়াৰ আমঠু জুবিন দাৰ সোঁৱৰণত)
অসহ্য বেদনা
বুকু ফাটি যায়
হিয়াৰ আমঠুৰ আকস্মিক মৃত্যু
নাই নাই নাই
আমাৰ জুবিন দা জীয়াই আছে
আজি নিশা আকাশত
নোলাই জোনবাই
তৰাবোৰে ৰাউচি জুৰিব
জোনবাইৰ সান্ত্বনাক নেউচি
সাগৰৰ পানীবোৰ নিস্তেজ হৈ পৰিল
নদীয়ে পাহৰি গৈছে
পানী ক'ত পানী ক'ত বুলি
চৰাই-চিৰিকটিয়ে উচুপিছে
আমাৰ জুবিন দা
আমাৰ জুবিন দা বুলি
পলকতে অৰণ্যৰ সেউজীয়াবোৰ
ৰঙবিহীন
প্ৰজন্মৰ হাহাকাৰ
"পাখি পাখি এই মন
পাখি লগা মোৰ মন....."
আস! জুবিন দা তুমি
জীয়াই আছা জীয়াই আছা
প্ৰতিজন অসমীয়াৰ হৃদয় মঞ্জুষাত!
অ' আমাৰ জুবিন দা'

# স্মৃতিৰ মণিকোঠাত

**অঞ্জু শাণ্ডিল্য**



আমাৰ ঢাপকটাৰ ঘৰৰ পদুলিমুখত থকা পুলটোত বহি থাকোতে এদিন আবেলি মামুৰ লগত আহি সেইখিনিত ৰৈছিল। মামুৱে চিনাকী কৰাই দি কৈছিল, "অঞ্জুবা, এয়া গল্ডি, আমাৰ মামাৰ ল'ৰা।" মৰম লগা ধুনীয়া ল'ৰাজনে কাষতে বহি মোৰ দীঘল চুলিকোছা চুই চাইছিল। তেতিয়া তেওঁ তামুলপোৰত হাইস্কুলৰ ওপৰ শ্ৰেণীৰ ছাত্ৰ। পাছত যোৰহাটৰ বঙালপুখুৰীৰ নিজাঘৰত থাকি জেবি কলেজত পঢ়িবলৈ লয় আৰু যোৰহাট সঙ্গীত বিদ্যালয়ত তবলা শিকিছিল। সেই সময়ত ময়ো যোৰহাট সঙ্গীত বিদ্যালয়ত চেতাৰ শিকিছিলো। তাতে তেওঁক প্ৰায়েই লগ পাইছিলো। কেতিয়াবা মামুৰ লগত তেওঁলোকৰ ঘৰলৈ গৈছিলো । আৰু মামু হতৰ ঘৰলৈও তেওঁ আহিছিল ।মাঘবিহুৰ উৰুকাৰ নিশা ঢাপকটাত থাকি ফূৰ্তি কৰিছিল ।পাছত গুৱাহাটীত নিগাজীকৈ থাকিবলৈ লোৱাত আমাৰ স্বামীৰ ঘৰখনৰ সৈতে চিনাকী হৈ আমাৰ পৰিয়ালৰ এজন হৈ পৰে। মোতকৈও স্বামীৰ সৈতে আন্তৰিক সম্পৰ্ক গঢ়ি উঠে। প্ৰায়েই তেওঁৰ স্টুডিঅ'লৈ অহা -যোৱা কৰিছিল ।জন্মদিনৰ নিমন্ত্ৰণ প্ৰতিবছৰে কৰিছিল। প্ৰয়াত দিলীপদাৰ লগতো তেওঁৰ সুমধুৰ সম্পৰ্ক গঢ়ি উঠিছিল । সেইটো গল্ডি নোহোৱা হৈ গ'ল! বিশ্বাস হোৱা নাই ।ভগবানৰ ওচৰত প্ৰাৰ্থনা জনাইছো তেওঁৰ আত্মাই সদ্গতি লাভ কৰক।

# নিঃসহায়



**ডাঃ যুতিকা ওজা**

কণ্ঠ ৰুদ্ধ, মোৰ
দুখৰ উচপনিত
অসহায়! অতি অসহায়
অশ্ৰু গোট মাৰি
বুকুতে খন্দিয়াইছে
সুগন্ধৰে আমোল নোলোৱা
ফুলপাহি
কিয় জানো
অকালতে মৰহি গল
সুগন্ধৰ মাজতো স্থবিৰতা,
সাগৰৰ গভীৰতাৰে ভৰা উদাৰতাত
এতিয়া নিস্তব্ধ
নিঃ সহায় স্মৃতি এতিয়া
শব্দৰ ধ্বংসস্তূপও

# জুবিন গাৰ্গৰ মৃত্যুত তিনিদিনীয়া ৰাজ্যিক শোক ঘোষণা ৰাজ্য চৰকাৰৰ



ৰঙিলী বাৰ্ত্তাসেৱা- অচিন দেশলৈ গ'লগৈ মৰমৰ জুবিন। অকালতে হাৰ্টথ্ৰবক হেৰুৱাই ভাগি পৰিছে সকলো। জুবিন গাৰ্গৰ বিয়োগত তিনিদিনীয়া ৰাজ্যিক শোক ঘোষণা কৰিছে অসম চৰকাৰে। এই সন্দৰ্ভত সাধাৰণ প্ৰশাসন বিভাগৰ তৰফৰ পৰা এক জৰুৰী নিৰ্দেশনা জাৰি কৰা হয়। নিৰ্দেশনাটোত উল্লেখ কৰা অনুসৰি প্ৰসিদ্ধ কণ্ঠশিল্পী-চলচ্চিত্ৰ নিৰ্মাতা- সাংস্কৃতিক জগতৰ উজ্জ্বল নক্ষত্ৰ জুবিন গাৰ্গৰ অকাল বিয়োগত ২০, ২১ আৰু ২২ ছেপ্টেম্বৰত ৰাজ্যিক শোক পালন কৰা হ'ব। এই সময়ছোৱাত সকলো ধৰণৰ আনুষ্ঠানিক বিনোদনমূলক অনুষ্ঠান, নৈশভোজন আদি বৰ্জন কৰা হৈছে। সমান্তৰালভাৱে সেৱা সপ্তাহ কাৰ্যসূচীৰ অধীনত লাভজনক বিতৰণমূলক অনুষ্ঠানসমূহো এই সময়ছোৱাত বাতিল কৰাৰ কথা উল্লেখ কৰা হৈছে নিৰ্দেশনাটোত। অৱশ্যে স্বাস্থ্য শিবিৰ, গছপুলি ৰোপণ আদিৰ দৰে কাৰ্যসূচী অব্যাহত থাকিব। ইফালে জুবিন গাৰ্গৰ অন্ত্যেষ্টিক্ৰিয়াৰ দিনা ৰাজ্যৰ বিদ্যালয়-মহাবিদ্যালয়সমূহ বন্ধ দিয়াৰ কথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। জুবিন গাৰ্গৰ অন্তিম সংস্কাৰৰ দিনা বিদ্যালয়-মহাবিদ্যালয়সমূহ বন্ধ দিয়া হ'ব।

# অসমবাসী ৰাইজক

আপোনালোকে জানে ২০২০ চনত জুবিনৰ এটা ডাঙৰ ছিজাৰ এটেক হৈছিল। সেই সময়ত আমি জুবিনক মুম্বাইলৈ লৈ যাব লগা হৈছিল। ক'ভিড-লকডাউনৰ বাবে সকলো বন্ধ আছিল। নিজৰ জীৱনক বিপন্ন কৰি বাহিৰলৈ ওলাই গৈ সিদ্ধাৰ্থই খোৱাবস্তুৰ যোগাৰৰ পৰা মেডিচিনলৈ সকলো কৰিছিল। তেনেদৰে জুবিনক সুস্থ কৰি বাছেৰে মুম্বাইৰ পৰা লৈ অনা হৈছিল। সদায় জুবিনে সিদ্ধাৰ্থক নিজৰ বুলি গ্ৰহণ কৰি আহিছে। আমি এবাৰ তাৰ বিৰুদ্ধে ক'লৈও তাৰ ওপৰত চিটা এটাও পৰিব দিয়া নাছিল। জুবিনৰ শেষ যাত্ৰাত তাক আপোনালোকে থাকিবলৈ দিয়ক। তাৰ বিপক্ষে যদি কিবা ভাবিছেও সেয়া আপোনালোকৰ মনৰ পৰা উলিয়াই দিয়ক। সকলো একেলগে থাকক, আমাৰ পৰিয়ালটো, নিজৰ মানুহবোৰ একেলগে থাকক। কাইলৈ মোক সিদ্ধাৰ্থৰ ছাপ'ৰ্ট লাগিব। সি নাথাকিলে মই একো কৰিব নোৱাৰিম। জুবিনৰ বহু আধৰুৱা কাম আছে, সেইবোৰো আগবঢ়াই নিব লাগিব। ল'ৰাটোক আহিবলৈ দিয়ক। যাৰ বিপক্ষে যি এজাহাৰ দিছে, সেয়া আপোনালোকে পৰিহাৰ কৰক। মইন অনুৰোধ কৰিছোঁ। শান্তিপূৰ্ণভাৱে জুবিনৰ শেষ যাত্ৰা হৈ যাবলৈ দিয়ক।

# লতাশিলত যুৱপ্ৰজন্মৰ

লতাশিল খেলপথাৰত শুক্ৰবাৰে সন্ধিয়া ৬ বজাত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। চাৰি দশক ধৰি অসমীয়া, বালাং, হিন্দীকে ধৰি বিভিন্ন ভাষাত গীত গাই লাখ লাখ লোকৰ হৃদয় জয় কৰা জুবিন গাৰ্গৰ বিদেহ আত্মাৰ সদগতি কামনা কৰি লতাশিল খেলপথাৰত হাজাৰ হাজাৰ গুণমুগ্ধ আৰু অনুৰাগীয়ে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। লতাশিল খেলপথাৰত আছুৰ উদ্যোগত অনুষ্ঠিত এই ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত আছুৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল ভট্টাচাৰ্য, সভাপতি উৎপল শৰ্মা, আছু নেতা বিপুল ৰাভা, টুটুমণি কলিতাকে ধৰি বহুকেইগৰাকী বিষয়ববীয়া উপস্থিত থাকে।

# ধুবুৰীৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক

আৰক্ষী অধীক্ষকৰ দায়িত্ব পালন কৰিব কাহিলিপাৰাস্থিত চতুৰ্থ অসম আৰক্ষী বাহিনীৰ অধিনায়ক দেৱাশিস বৰাই। উল্লেখ্য যে যোৱা ১০ ছেপ্টেম্বৰৰ সন্ধিয়া জনজাতিকৰণ আৰু পৃথক কমতাপুৰ ৰাজ্য গঠনৰ দাবীত গোলকগঞ্জৰ চিলাৰায় মহাবিদ্যালয়ৰ সন্মুখৰ পৰা সদৌ অসম কোচ ৰাজবংশী ছাত্ৰ সন্থা (অক্ৰাছু)-এ এক জোঁৰ সমদল উলিয়াইছিল। শান্তিপূৰ্ণ আৰু গণতান্ত্ৰিকভাৱে এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰাৰ সময়তে প্ৰতিবাদকাৰীসকলৰ ওপৰত জঁপিয়াই পৰে আৰক্ষী বাহিনী। প্ৰতিবাদকাৰীসকলৰ ওপৰত নিৰ্বিচাৰভাৱে লাঠীচালনা কৰা হয়। যাক লৈ ৰাজ্যজুৰি সৃষ্টি হয় তীব্ৰ প্ৰতিক্ৰিয়াৰ। ইয়াৰ মাজতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত ঘটনাৰ দিনা নিশাই গোলকগঞ্জত উপস্থিত হৈছিল মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা। সমগ্ৰ বিষয়টোক লৈ তাৎক্ষণিক পদক্ষেপ হিচাপে গোলকগঞ্জ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দেৱজিৎ কলিতাক নিলম্বন কৰাৰ লগতে গৌৰীপুৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া চিৰঞ্জিত লাহনক ৰিজাৰ্ভ ক্ল'জ কৰা হৈছিল। একে সময়তে ধুবুৰী জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক লীনা দলেৰ লগতে উপ-আৰক্ষী অধীক্ষক সীমান্ত বৈশ্য আৰু অম্বৰীশ শৰ্মাক তদন্তৰ আওতাত সামৰি লোৱাৰ কথা ঘোষণা কৰা হৈছিল। সমান্তৰালভাৱে অসম আৰক্ষীৰ এজন উপ-মহাপৰিদৰ্শকে ঘটনা সন্দৰ্ভত ৫ দিনৰ ভিতৰত তদন্ত প্ৰতিবেদন ৰাজ্য চৰকাৰক দাখিল কৰিব বুলি সদৰী কৰিছিল মন্ত্ৰী বৰুৱাই।

# নূপুৰ বৰাৰ বৰপেটাৰোডৰ

নাই বুলি জানিব পৰা গৈছে। সত্ৰৰ মাটিত জালিয়াতিৰে মিঞাক বিক্ৰী কৰাৰ ক্ষেত্ৰত আগভাগ লোৱা বিষয়াগৰাকীয়ে এই সমস্ত ধন নিজৰ দৰমহাৰ পইচা নহয় কেৱল দুৰ্নীতিৰ পৰা সংগ্ৰহ কৰাহে। আনহাতে গোলাঘাটৰ এটা বেচৰকাৰী বেংকতো নূপুৰ বৰাৰ লকাৰ এটাৰ সম্ভেদ তদন্তকাৰী দলে লাভ কৰিছে। সূত্ৰটোৱে সদৰী কৰা মতে, দলটোৱে বেংকটোৰ লকাৰৰ লগতে নূপুৰ বৰাৰ গোলাঘাটৰ প্ৰকৃত ঘৰতো অভিযান চলাব। বৰপেটাৰোডৰ এছবিআইৰ লকাৰত বৃহৎ পৰিমাণৰ নগদ ধন উদ্ধাৰ হোৱাৰ পাছত গোলাঘাটৰ বেচৰকাৰী বেংকৰ লকাৰত বহু টকা মূল্যৰ সোণৰ অলংকাৰ থকাৰ সন্দেহ প্ৰকাশ কৰা হৈছে। কিয়নো ইতিমধ্যে চিএম ভিজিলেঞ্চে নূপুৰ বৰাৰ বাসভৱনৰ পৰা প্ৰায় ২ কোটি টকাৰ হীৰা তথা সোণৰ আ-অলংকাৰ জব্দ কৰিছে। জব্দকৃত একোডাল অলংকাৰৰ মূল্য ১-২ লাখ টকা হ'ব বুলি প্ৰকাশ কৰিছে সূত্ৰটোৱে। ইপিনে ঘোচঘোৰ বিষয়াজনৰ আন কেইবাটাও বেংকত গোপন লকাৰ আছে বুলি সন্দেহ প্ৰকাশ কৰিছে তদন্তকাৰী দলে। দুৰ্নীতিগ্ৰস্ত নূপুৰ বৰা জালত পৰাৰ পাছতে পোহৰলৈ আহিছে কেইবাজনো লাট মণ্ডলৰ নাম। সূত্ৰটোৱে জনোৱা মতে, দিনে-নিশাই কেৱল টকাৰ সপোন দেখা নূপুৰ বৰাই চাকৰি জীৱনত সৰ্বাধিক দুৰ্নীতি কৰিছিল বৰপেটা ৰাজহ চক্ৰৰ চক্ৰ বিষয়া হৈ থকা সময়ত। জিলাখনৰ কেইবাজনো লাট মণ্ডলক একপ্ৰকাৰ কালেকচন এজেণ্ট ৰূপে নিয়োগ কৰি প্ৰতিটো লেনদেনৰ বাবদ বৃহৎ পৰিমাণৰ কমিছন আদায় দি আহিছিল নূপুৰ বৰাই। উক্ত এজেণ্টৰূপী লাট মণ্ডলসকলে বিভিন্ন চৰকাৰী মাটি, সত্ৰ তথা ৰাইজৰ ছন পৰি ৰোৱা মাটিৰ তথ্য নূপুৰ বৰাক যোগান ধৰিছিল। তাৰ পিছতে বিষয়াজনে এজেণ্টৰূপী লাট মণ্ডলকেইজনৰ সহযোগত মাটিসমূহ জালিয়াতিৰে মিঞাক বিক্ৰী কৰি লাখ লাখ টকা কমিছন হিচাপে আদায় কৰিছিল। সম্প্ৰতি চিএম ভিজিলেঞ্চৰ জিম্মাত থকা পঁপুৰ বৰাই এনে কেইবাজনো এজেণ্টৰূপী মণ্ডলৰ নাম জেৰাত স্বীকাৰ কৰিছে। ইয়াৰ ভিতৰত তিনিজন লাট মণ্ডলক অতি শীঘ্ৰে জেৰা চলোৱাৰ বাবে প্ৰস্তুতি আৰম্ভ কৰিছে চিএম ভিজিলেঞ্চে। অৱশ্যে লাট মণ্ডলকেইজন কোনখন জিলাৰ সেয়া এতিয়ালৈকে সদৰী কৰা নাই সূত্ৰটোৱে। ইয়াৰ বাহিৰেও আন কোনো শীৰ্ষ বিষয়াৰ আশীৰ্বাদো নূপুৰ বৰাই লাভ কৰিছিল নেকি সেই সন্দৰ্ভতো তদন্ত চিএম ভিজিলেঞ্চে অব্যাহত ৰাখিছে।

# শাৰদীয় দুৰ্গোৎসৱক লৈ আৰক্ষী

দুৰ্গাপূজা অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত কেতবোৰ কঠোৰ নীতি-নিৰ্দেশনা মহানগৰ আৰক্ষী-প্ৰশাসনে জাৰি কৰে। ৰাজহুৱা স্থানত পূজাৰ মণ্ডপ নিৰ্মাণৰ বাবে প্ৰশাসনৰ পৰা প্ৰয়োজনীয় অনুমতি লোৱাটো সকলো পূজা সমিতিৰ বাবে বাধ্যতামূলক বুলি মন্তব্য কৰে যুটীয়া আৰক্ষী আয়ুক্ত অংকুৰ জৈনে। উক্ত অনুমতিৰ ক্ষেত্ৰত সংশ্লিষ্ট এলেকাৰ উপ-আৰক্ষী আয়ুক্তসকলে এইক্ষেত্ৰত প্ৰয়োজনীয় অনুমতি আগবঢ়াব। তদুপৰি দুৰ্ঘটনা প্ৰতিৰোধী ব্যৱস্থাৰ প্ৰমাণ-পত্ৰ বাধ্যতামূলক হোৱাৰ লগতে বৈদ্যুতিক সংযোগ শব্দ ব্যৱস্থাৰ ফিটনেছ চাৰ্টিফিকেট দাখিল কৰিব লাগিব পূজা সমিতিবোৰে। তদুপৰি পূজাৰ সময়ছোৱাত যাতে শব্দ প্ৰদূষণ নহয় তাৰ প্ৰতিও কঠোৰ দৃষ্টি ৰাখিব লাগিব পূজা সমিতিবোৰে। যুটীয়া আৰক্ষী আয়ুক্ত অংকুৰ জৈনে কয় যে জনসমাগমৰ প্ৰতি লক্ষ্য ৰাখি পূজা কমিটীসমূহে মহিলা আৰু পুৰুষৰ বাবে পৃথককৈ প্ৰৱেশ আৰু প্ৰস্থানৰ ব্যৱস্থা, পূজা সম্পন্ন হোৱাৰ পিছত ঠাইসমূহ পৰিষ্কাৰ কৰাৰ লগতে পেলনীয়া সামগ্ৰীসমূহ সঠিকভাৱে নিষ্কাশনৰ ব্যৱস্থা কৰিব লাগিব। পূজা কমিটীসমূহে পূজাথলীত সঠিকৰূপত চিচি টিভি কেমেৰা স্থাপন, স্বেচ্ছাসেৱক (পুৰুষ-মহিলা) নিয়োগ, ৰাজহুৱা ঘোষণা ব্যৱস্থা অৰ্থাৎ মাইকৰ ব্যৱহাৰ কৰাৰ লগতে প্ৰশাসনৰ নীতি-নিয়ম মানি পূজা অনুষ্ঠিত কৰিবলৈ যুটীয়া আৰক্ষী আয়ুক্তগৰাকীয়ে আহ্বান জনায়। ভক্তসকলৰ সুৰক্ষাৰ স্বাৰ্থত অৰ্থাৎ জৰুৰীকালীন পৰিস্থিতিৰ বাবে পূজাথলীৰ সমীপত অলপ খালী ঠাই ৰখাৰ উপৰি পূজা পেণ্ডেলত 'সুৰাপান নিষিদ্ধ এলেকা' কৰাৰ বাবে আহ্বান জনায়। বিসৰ্জনৰ শোভাযাত্ৰাৰ সময় আগতীয়াকৈ জিলা প্ৰশাসনক জনোৱাৰ লগতে নিচাযুক্ত দ্ৰব্য সেৱন কৰি পৰিৱেশ যাতে বিনষ্ট কৰিব নোৱাৰে তাৰ প্ৰতি সতৰ্ক দৃষ্টি ৰাখিবলৈ পূজা কমিটীসমূহক তেওঁ পৰামৰ্শ আগবঢ়ায়। সেইদৰে, যান-বাহনৰ নিৰ্দেশনা মানি চলিবলৈ নিৰ্দেশ দিয়ে। আনৰ অসুবিধা নোহোৱাকৈ দায়িত্বসহকাৰে উৎসৱ-পাৰ্বণ পালন কৰি যাবলৈ যুটীয়া আৰক্ষী আয়ুক্তগৰাকীয়ে সকলোকে আহ্বান জনায়। অতিৰিক্ত জিলা আয়ুক্ত অজিত কুমাৰ শৰ্মাই প্ৰতিটো পূজা মণ্ডপত অগ্নিনিৰ্বাপক বাহিনীৰ সঁজুলি, শুকান বালি ভৰোৱা বাল্টি মজুত ৰাখিবলৈ আহ্বান জনায়। দুৰ্যোগ প্ৰশমনৰ ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হ'লে জিলা জৰুৰীকালীন অভিযান কেন্দ্ৰৰ ০৩৬১-১০৭৭ আৰু ৯৩৬৫৪-২৯৩১৪ নম্বৰত যোগাযোগ কৰিবলৈ তেওঁ নিৰ্দেশ প্ৰদান কৰে। এই বৈঠকত পশ্চিম গুৱাহাটী জিলাৰ উপ- আৰক্ষী আয়ুক্ত পদ্মনাভ বৰুৱা, মহকুমা দণ্ডাধীশ কংকণ শৰ্মা, যান-বাহন আৰক্ষীৰ উপ-আয়ুক্ত জয়ন্ত সাৰথি বৰা, মহানগৰ আৰক্ষীৰ নিৰাপত্তা আৰু চোৰাংচোৱাৰ উপ-আয়ুক্ত ধ্ৰুৱ বৰা, গুৱাহাটী পৌৰ নিগমৰ যুটীয়া সচিব ড° প্ৰৱজ্যোতি হাজৰিকা, যুটীয়া স্বাস্থ্যসেৱা সঞ্চালক ডাঃ অপূৰ্ব কৃষ্ণ শৰ্মা, প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ অভিযন্তা, জিলা প্ৰশাসনৰ বিষয়া-কৰ্মচাৰী প্ৰমুখ্যে বিভিন্ন বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

# আজি সৰুসজাইত লক্ষ

আৰু বড়োসকলৰ পৰম্পৰাগত আৰ'নাই ৰাখে। বিমানবন্দৰৰ এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অসম চৰকাৰৰ বহু উচ্চ পদস্থ বিষয়াসকলেও অংশগ্ৰহণ কৰে। শ্ৰদ্ধাঞ্জলি জনোৱাৰ পিছত সকলোৱে কালজয়ী গীত 'মায়াবিনী' গুণগুণাই শিল্পীগৰাকীক শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইয়াৰ পিছত জুবিন গাৰ্গৰ নশ্বৰদেহ ৰাণৱেৰ পৰা পুনৰ এম্বুলেন্সেৰে লৈ যোৱা হয়। জুবিন গাৰ্গৰ নশ্বৰদেহ বৰঝাৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তজাতিক বিমানবন্দৰৰ পৰা পোনে পোনে অনা হ'ব কাহিলিপাৰাৰ বাসভৱনলৈ। আৰু ৰাজহুৱা শ্ৰদ্ধাঞ্জলিৰ বাবে কাহিলিপাৰাৰ বাসভৱনৰ পৰা সৰুসজাই ক্ৰীড়া প্ৰকল্পলৈ লৈ যোৱা হ'ব। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী ড° শৰ্মাই শনিবাৰে পুৱা আৰু বিয়লি ভাগত দুবাৰ সৰুসজাইত উপস্থিত হৈ ইয়াৰ প্ৰস্তুতিৰ বুজ লয়। তাৰ মাজতে সংবাদ মাধ্যমৰে হোৱা বাৰ্তালাপত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ছিংগাপুৰত মৰণোত্তৰ পৰীক্ষা সম্পন্ন হোৱাৰ পাছত জুবিন গাৰ্গৰ পাৰ্থিৱ শৰীৰ আমি নতুন দিল্লীলৈ আনিম। তাৰ পৰা বিশেষ বিমানেৰে নশ্বৰদেহ গুৱাহাটীলৈ অনা হ'ব। গুৱাহাটীলৈ অনাৰ পাছত জুবিন গাৰ্গৰ নশ্বৰদেহ প্ৰথমে তেওঁৰ ঘৰলৈ নিয়া হ'ব। সেইখিনি সময়ত কোনো ৰাইজ যাতে তাত নাথাকে, সেইটো আমি বিচাৰিম। কাৰণ পৰিয়ালটোৱে একান্তভাৱে জুবিন গাৰ্গৰ সৈতে কটোৱাৰ সেইখিনিয়েই শেষ সময়। এবাৰ সৰুসজাইলৈ আনিলে পৰিয়ালে জুবিন গাৰ্গৰ লগত সময় কটাব নোৱাৰিব। সেয়েহে পৰিয়ালে আমাৰ পৰা বিচাৰিছে- জুবিন গাৰ্গৰ পাৰ্থিৱ শৰীৰ প্ৰথমতে ঘৰলৈ অনা হওক। তেওঁৰ ৮৫ বছৰীয়া পিতৃ বা পৰিয়ালৰ লোকে অলপ নিবিড় মুহূৰ্ত যাতে কটাব পাৰে। তেওঁৰ নশ্বৰদেহ ঘৰত এঘণ্টা সময় থাকিব। আমাক এইক্ষেত্ৰত বেয়া পাব নালাগে। পৰিয়ালে অন্তৰংগ মুহূৰ্ত কটোৱাৰ সময় সৃষ্টি কৰিবলৈ আৰক্ষীক কোৱা হৈছে। তাৰ পাছত নশ্বৰদেহ সৰুসজাইলৈ আনি অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ চৌহদত থকা ইনড'ৰ ষ্টেডিয়ামৰ সন্মুখত ৰখা হ'ব। তেওঁ পুনৰ কয় যে যিমান সময়লৈকে মানুহ আহি থাকিব আমি নশ্বৰদেহ ৰাখিব পাৰিম। কিন্তু পাৰ্থিৱ শৰীৰটো কিমান সময়লৈকে ৰাখিব পৰা যায় সেইটো চিকিৎসকেহে আমাক ক'ব। অন্তিম সংস্কাৰলৈ লৈ যোৱাৰ সময়ত যদি নশ্বৰদেহৰ অৱস্থা বেয়া হয়, তেতিয়া মানুহে বেয়া পাব। সেয়েহে এই কথা নিৰ্ভৰ কৰিব চিকিৎসকৰ ওপৰত। ছিংগাপুৰৰ পৰা নশ্বৰদেহ লৈ আহোঁতে ২৪ ঘণ্টা হৈ যাব। ইয়াত ২৪ ঘণ্টা হ'লে মুঠ ৪৮ ঘণ্টা হ'ব। যদি আমি আৰু এদিন বঢ়াই দিওঁ তেতিয়া সময় হ'ব ৭২ ঘণ্টা। সেইদৰে যোৰহাটলৈ নিব লাগিলে আন ৬ ঘণ্টা সময় লাগিব। ইমান দেৰি পাৰ্থিৱ শৰীৰটো সুৰক্ষিত হৈ থাকিব নে নাই, সেইটো চিকিৎসকসকলেহে ক'ব পাৰিব।

# তদন্তৰ আওতাত আহিব

ছিংগাপুৰৰ উচ্চাযুক্ত ছাইমন ৱঙৰ সৈতে কথা পতাৰ বিষয়েও মুখ্যমন্ত্ৰী ড° শৰ্মাই জানিবলৈ দিয়ে। শিল্পীগৰাকীৰ অকাল বিয়োগৰ বিশদ অনুসন্ধানৰ বাবে ছিংগাপুৰৰ উচ্চায়ুক্ত বঙক অনুৰোধ জনোৱাৰ কথা সদৰী কৰি তেওঁ কয় যে ছিংগাপুৰ চৰকাৰে এটা সম্পূৰ্ণ নিৰপেক্ষ তদন্ত কৰিব আৰু অসম চৰকাৰক জনাব। ছিংগাপুৰৰ উচ্চায়ুক্তই মোক এই কথা দিছে। অসমৰ বিভিন্ন স্থানত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাৰ বিৰুদ্ধে গোচৰ পঞ্জীভুক্ত হৈছে। গোটেইখিনি এজাহাৰ আমি চিআইডিলৈ হস্তান্তৰ কৰিছোঁ। চিআইডিয়ে ইতিমধ্যে তেওঁলোকৰ ওপৰত ভাৰতীয় ন্যায় সংহিতাৰ ৬৩(২), ১০৫ আৰু ১০৬নং ধাৰাৰ অধীনত ১৮/২০২৫ নম্বৰৰ এটা গোচৰ ৰুজু কৰিছে। আমাৰ তদন্তৰ আওতাত শ্যামকানু মহন্তও আহিব, সিদ্ধাৰ্থ শৰ্মাও আহিব। লগতে ছিংগাপুৰৰ যিসকল লোকে শেষ সময়ত জুবিন গাৰ্গৰ লগত আছিল তেওঁলোকো আহিব তদন্তৰ আওতালৈ। এই প্ৰসংগতে মুখ্যমন্ত্ৰী ড° শৰ্মাই এক গুৰুত্বপূৰ্ণ মন্তব্য কৰে। তেওঁ কয় যে এটা কথা ওলাইছে আগদিনাখন জুবিন গাৰ্গক পাৰ্টীৰ বাবে কোনোবাই এঠাইলৈ লৈ গৈছিল। সামাজিক মাধ্যমত দেখিছোঁ। সঁচা-মিছা নাজানো। সেইবিলাকো আমি চাম। ছিংগাপুৰ কৰ্তৃপক্ষই ইতিমধ্যে তদন্ত আৰম্ভ কৰিছে। যিহেতু ঘটনা সংঘটিত হোৱা স্থান ভাৰত নহয়, সেয়েহে ইয়াত যদি অপৰাধমূলক কিবা আছে, সেই অংশটো ছিংগাপুৰৰ পৰা পাম। অসমৰ পৰা জুবিন গাৰ্গক লৈ যাওঁতে যদি কিবা বেয়া ভাবি নিয়া হৈছিল, সেইটো অসমত পাম। এইক্ষেত্ৰত আমি চৰকাৰে সম্পূৰ্ণ নিৰপেক্ষ হৈ থাকিম। ৰাইজৰ কোনোবাই যদি সাক্ষীও দিব বিচাৰে বা কাৰোবাৰ হাতত যদি কিবা খবৰো আছে, আমি সেয়া দিয়াৰ সকলো ব্যৱস্থা কৰি দিম। যাতে সমগ্ৰ বিষয়টো মুকলি হৈ থাকে, কোনো কথা গোপনে নাথাকে।

# চিৰনিদ্ৰাত সংগীতৰ ঈশ্বৰ জুবিন,গোলাঘাট নিজান, নিস্তব্ধ



ৰঙিলী বাৰ্ত্তাসেৱা- গণশিল্পী তথা মুকুট বিহীন সম্ৰাট জুবিন গাৰ্গৰ মৃত্যুৰ খবৰ লাভ কৰাৰ পিছতে গোলাঘাটত স্বতঃস্ফূৰ্ত ভাৱে ব্যৱসায়িক প্ৰতিষ্ঠান, অনুষ্ঠান বন্ধ হৈ পৰে। সকলো ব্যৱসায়িক প্ৰতিষ্ঠানৰ লগতে যানবাহন চলাচলো বন্ধ থাকে। বিভিন্ন স্থানত জুবিনৰ প্ৰতিচ্ছবিত মাল্য অৰ্পণ, বন্তি প্ৰজ্বলন কৰি ৰাইজে শ্ৰদ্ধাঞ্জলি জনায়। সন্ধিয়া পুব বসন্ত সমিতিৰ বিষয়ববীয়া আৰু ৰাইজ গোট খাই কছাৰীহাট বনগাঁও তিনি আলিটো বন্তি প্ৰজ্বলন কৰি শোক সভা অনুষ্ঠিত কৰে। উল্লেখ যে গোলাঘাটৰ বিদ্যালয় সমূহত অনুষ্ঠিত হোৱা ছয়মহীয়া পৰীক্ষা বাতিল কৰি পৰীক্ষা ৰ দিন সলনি কৰা হৈছে। এনে দুখজনক খবৰে যোৱা দিনটোৰ পৰা সকলো ৰাইজকে শোকৰ সাগৰত পেলাইছে। জুবিনৰ মহান আত্মাৰ সদগতি কামনা কৰি সকলোৱে প্ৰাৰ্থনা জনাইছে।

# কোনো দিন উভতি নহাৰ

লেজাৰ্ছ দ্বীপত সতীৰ্থৰ সৈতে সাঁতুৰিবলৈ গৈছিল শিল্পাগৰাকী। ছিংগাপুৰত সাগৰত দুৰ্ঘটনাগ্ৰস্ত হৈ শিল্পীগৰাকী সংকটজনক অৱস্থাত চিকিৎসালয়ত ভৰ্তি হৈ থকা বুলিহে খবৰটো আহিছিল। পিছে দিনৰ প্ৰায় দুই বজাত আনুষ্ঠানিকভাৱে ঘোষণা হ'ল- শিল্পীগৰাকী আৰু এই পৃথিৱীত নাই। তাৰ পিছতেই যেন বিনামেঘে বজ্ৰপাত পৰিল সমগ্ৰ অসমবাসীৰ মূৰত। বহেমিয়ান এটি জীৱন যাপন কৰা শিল্পীগৰাকীৰ এই অনাকাংক্ষিত খবৰটোৰ বিশ্বাসযোগ্যতা সন্দৰ্ভত বহু সময়লৈকে ৰাইজে প্ৰশ্নচিহ্ন আঁৰি থৈছিল। বহুতৰ মতে, শিল্পীগৰাকীয়ে কিবা এটা নতুনৰ সূচনা কৰিবলৈ এনেদৰে ব্যতিক্ৰমীভাৱে ভুৱা খবৰ বিয়পাই অনুৰাগীক এটা নতুনত্বৰ সন্ধান দিব। আনুষ্ঠানিকভাৱে শিল্পীগৰাকীৰ মৃত্যুৰ খবৰ ৰাজহুৱা হোৱাৰ পাছত এই সামান্য আশাৰ বন্তিগছিও নিৰ্বাপিত হ'ল। যাযাবৰী জীৱন যাপন কৰা শিল্পীগৰাকীৰ অনাকাংক্ষিত এই মৃত্যুক লৈ বহুতো প্ৰশ্নচিহ্নৰ সৃষ্টি হৈছে যদিও পত্নী গৰিমা শইকীয়া গাৰ্গে অৱশেষত এই সকলো উৎকণ্ঠাৰ অৱসান ঘটালে। আৱেগিকভাৱেই শিল্পীগৰাকীৰ অনুৰাগীক দিলে মৃত্যুৰ প্ৰকৃত কাৰণৰ সন্ধান। বিভিন্ন মহলত উঠা চৰ্চাৰ অৱসান ঘটাই গৰিমা শইকীয়া গাৰ্গে কয় যে আজি জুবিন আৰু ৭-৮জনমান লোকে এখন 'য়াটছ' অৰ্থাৎ নাৱেৰে সাগৰলৈ গৈছিল। সাগৰত নামি আটাইকেইজনে সাঁতুৰি অৱশেষত পাৰলৈও আহিছিল। লাইফ জেকেট পৰিধান কৰি আটায়ে পানীত সাঁতুৰিছিল। কিন্তু জুবিন গাৰ্গে আকৌ সাঁতুৰিবলৈ গৈছিল। ঠিক সেই মুহূৰ্ততে লগৰকেইজনে তেওঁৰ শৰীৰটো জঠৰ হৈ পৰা প্ৰত্যক্ষ কৰিছিল। লগে লগে তেওঁক পানীৰ পৰা তুলি পাৰলৈ অনা হৈছিল। সাঁতুৰি থাকোঁতে তেওঁৰ ছিজাৰ আহি গ'ল। আগতেও বহুবাৰ ছিজাৰ আহিছিল। তথাপি তেওঁ সুস্থ হৈছিল। এইবাৰ ছিজাৰ অহাৰ পাছত শৰীৰৰ ভিতৰত পানী অধিক সোমাই গ'ল চাগে। তাৰ পাছতে তেওঁৰ লগে লগে পাল্‌ছ কমি আহিল। লগৰকেইজনে তৎমুহূৰ্ততে তেওঁক স্থানীয় জেনেৰেল হাস্পতাললৈ নিলে। দুঘণ্টামান আইচিইউত ৰখা হ'ল। তাৰ পিছত দেহৰ পাল্‌ছ ঘূৰি নাহিল। স্কুবা ড্ৰাইভিং, পেৰা গ্লাইডিং আদি মিছা কথা। এইটোৱে আচল খবৰ। দুখৰ মাজতো একমাত্ৰ অনুৰাগীৰ উৎকণ্ঠা দূৰ কৰিবলৈ এই খবৰ আৱেগিকভাৱে সদৰী কৰিলে গৰিমা শইকীয়া গাৰ্গে। শিল্পীগৰাকীৰ পত্নীৰ ভাষ্যৰ পৰিৱৰ্তে এক সূত্ৰৰ পৰা জানিব পৰা মতে, শুক্ৰবাৰে পুৱাৰ ভাগত ছিংগাপুৰৰ আছাম ছ'চাইটীৰ সদস্য আৰু আনকেইগৰাকীমান লোকে জুবিন গাৰ্গক এখন ক্ৰুজলৈ আমন্ত্ৰণ জনাইছিল। বগা ৰঙৰ কাপোৰ পৰিধান কৰি সকলোৱে এটা দ্বীপলৈ যোৱাৰ কথা আছিল। ক্ৰুজখনত যথেষ্ট আনন্দ-ফুৰ্তি কৰা জুবিন গাৰ্গে এটা সংগীতৰ পৰিৱেশ গঢ়ি তুলিছিল। তাৰ পাছত সাঁতুৰিবলৈ বিচৰা জুবিন গাৰ্গে কেইজনমান সংগীৰ সৈতে সাগৰৰ বুকুলৈ জাঁপ দিয়ে। সূত্ৰটোৱে জনোৱা মতে, সাঁতুৰি পুনৰ পাৰলৈ উভতি আহিছিল জুবিন। লাইফ জেকেট পৰিধান কৰি সাঁতোৰাৰ ক্ষেত্ৰত অসুবিধা পোৱাৰ বাবে সেইটো খুলি সাঁতুৰিবলৈ তেওঁ আৰম্ভ কৰিছিল। যিহেতুকে জুবিন এগৰাকী ভাল সাঁতোৰবিদ, গতিকে লাইফ জেকেট নাথাকিলেও কোনেও একো সন্দেহ কৰা নাছিল। সেই সময়তে সাগৰৰ কিছু মাজলৈ গুচি যোৱা জুবিন গাৰ্গৰ মূৰটো ক্ৰুজত থকা দুগৰাকীমান লোকে পানীত সোমাই যোৱা প্ৰত্যক্ষ কৰে। সম্ভৱতঃ এই সময়ছোৱাতে জুবিন গাৰ্গে ছিজাৰ এটেকৰ সন্মুখীন হৈছিল। লগে লগে উদ্ধাৰকাৰী দলে তেওঁক পানীৰ পৰা ক্ৰুজলৈ আনি চিপিআৰ দি বচোৱাৰ চেষ্টা চলাইছিল। কিন্তু জুবিন গাৰ্গে কোনোধৰণৰ সঁহাৰি দিয়া নাছিল। সেই মুহূৰ্তত শিল্পীগৰাকীৰ মুখৰ পৰা কিছু ফেনসহ খাদ্য বাহিৰ হৈছিল। তাৰ পিছতে তেওঁক হাস্পতাললৈ নিয়া হয় যদিও চিকিৎসকে মৃত ঘোষণা কৰে। দুৰ্ঘটনাটো সন্দৰ্ভত বিভিন্ন কথা চৰ্চিত হোৱাৰ সময়তে এই সন্দৰ্ভত মন্তব্য আগবঢ়াইছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। শুক্ৰবাৰে নিশা কাহিলিপাৰাৰ ভগদত্তপুৰস্থিত শিল্পীগৰাকীৰ বাসগৃহত উপস্থিত হৈ পৰিয়ালক সাক্ষাৎ কৰাৰ পাছতেই মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ছিংগাপুৰৰ ৰাষ্ট্ৰদূতে আমাক জনোৱা মতে, ছিংগাপুৰ টাইম ঠিক ২ বজাত জুবিনে চাৰিজন তেওঁৰ টীম আৰু তাৰ ১১জন অসমীয়া যুৱকক লগত লৈ য়াটছত গৈছিল। তাতে কিছুদূৰ যোৱাৰ পিছত তেওঁলোকে এঠাইত ৰখি সাঁতুৰিবলৈ ধৰে। প্ৰথমতে তেওঁ লাইফ জেকেট লৈ সাঁতুৰিছিল। পিছত লাইফ জেকেটটো ডাঙৰ হোৱা বুলি তেওঁ সেইটো খুলি সাঁতুৰিবলৈ ধৰিলে। অলপ সময় পিছত তেওঁৰ শৰীৰটো যেতিয়া অলপ অস্পষ্ট হৈ পানীৰ তলত সোমাই যোৱা ধৰণৰ হৈছে তেতিয়া য়াটছৰ ক্ৰুজনে পানীত জঁপিয়াই জুবিনক উঠাই আনে। প্ৰথমতে চিপিআৰ দিয়ে। তেতিয়াও তেওঁৰ অৱস্থাৰ কোনো উন্নত নোহোৱাত য়াটছৰ প'ৰ্টলৈ নিয়া হয়। তাতে থকা চিকিৎসকেও চিপিআৰ দিয়াৰ পাছতো জুবিনৰ অৱস্থা উন্নত নোহোৱাত লগে লগে ছিংগাপুৰ জেনেৰেল হাস্পতাললৈ প্ৰেৰণ কৰা হয়। ছিংগাপুৰ টাইম ৫.২০ বজাত তেওঁৰ অৱস্থা উন্নত নোহোৱাত মৃত বুলি ঘোষণা কৰা হয়। এতিয়ালৈকে ছিংগাপুৰৰ ৰাষ্ট্ৰদূতে জনোৱা অনুসৰি অসম এছ'চিয়েচনৰ অভিমন্যু তালুকদাৰ আৰু তেওঁৰ সহযোগীসকলৰ লগত জুবিন য়াটছত গৈছিল। তাৰ তালিকাও আমাৰ হাতত আছে। জুবিন গাৰ্গসহ য়াটছত অভিমন্যু তালুকদাৰ, ৰবজন অসমীয়া লোক, জুবিন গাৰ্গৰ লগৰ চাৰি সংগী আৰু দুজন ক্ৰু আছিল। অৰ্থাৎ মুঠ ১৮জন ঘটনাটোৰ সময়ত আছিল। অনাকাংক্ষিত মৃত্যুৰ পাছত এতিয়া পৰিয়ালৰ লগতে ৰাজ্যৰ সকলো অনুৰাগীৰ এটাই মাথোঁ অপেক্ষা- শেষবাৰলৈ এবাৰ মাথোঁ প্ৰিয় শিল্পীগৰাকীক ওচৰৰ পৰা চাব পাৰিলে।

# কেতিয়াও উভতি নহাৰ বাটেৰে গুচি গ'ল অসমীয়াৰ হাৰ্টথ্ৰব গণশিল্পী জুবিন গাৰ্গ



**নাছিৰ আহমেদ, শিমলাবাৰী, গোৱালপাৰা**

একেবাৰে উভতি নহাৰ বাটেৰে মাত্ৰ বাৱন্ন বছৰ বয়সতে (১৮ নৱেম্বৰ ১৯৭২- ১৯ চেপ্তেম্বৰ ২০২৫) গুচি গ'লগৈ অসমীয়াৰ হিয়াৰ আমঠু হাৰ্টথ্ৰৱ গণশিল্পী জুবিন গাৰ্গ।

তেওঁ গীতৰ মাজেৰে বিচৰা মতেই " সাগৰৰ তলিত শুবৰে মন " চিংগাপুৰৰ সাগৰৰ বুকুত সাঁতুৰিবলৈ গৈ অনন্ত শয্যাত শায়িত হ'ল। তেওঁ এদিন ষ্টেজ প্ৰগ্ৰাম কৰি থাকোঁতে হাজাৰ হাজাৰ গুণমুগ্ধ অনুৰাগীৰ আগত ঘোষণা কৰিছিল যে, তেওঁ মৰাৰ পিছত যেন অসমৰ আকাশে-বতাহে তেওঁৰ গীত "মায়াবিনী ৰাতিৰ বুকুত দেখা পালোঁ তোমাৰ ছবি, ধৰা দিলা গোপনে আহি হিয়াৰ কোণত। তুমি যে মোৰ শুকান মনত, নিয়ৰৰে চেঁচা টোপাল, নামি অহা ৰ'দৰে নৈ, মোৰ দেহত প্ৰতি পুৱা। ধুমুহাৰ স'তে মোৰ বহু যুগৰে নাচোন, এন্ধাৰো সঁচা মোৰ বহু দিনৰে আপোন। নিজানৰ গান শেষ হ'ব ভাবো তোমাৰ বুকুত, প্ৰতি পলে তোমাৰেই কথা কৈছে মোৰ মন।"

এতিয়া, এই গীতটি এতিয়া অসমৰ সকলো চুকে কোণে কৰুণ সুৰে বাজি আছে। পাখি মেলি উৰি গ'ল জুবিন গাৰ্গ। এটা গান শেষ হোৱাৰ পাছত আৰু এটা গান শেষ হ'ল ; যি গানত আছিল পুৱাৰ ৰ'দ-কাচলিৰ কোমল স্নিগ্ধ-সনা, সূৰ্যদীপ্ত মধ্যাহ্নৰ উদীপ্ত আভা, সন্ধ্যাৰাগৰ বিষাদগ্ৰস্ততা ; জুবিন গাৰ্গৰ যাদুকৰী কণ্ঠৰ সেই মায়াবিনী সুৰ চিৰদিনৰ বাবে স্তব্ধ হৈ পৰিল। এতিয়া অসমৰ ঘৰে ঘৰে শোকৰ ছাঁ ; হিয়া ঢাকুৰি কান্দিছে প্ৰতিজন অসমীয়াই। নৱপ্ৰজন্মৰ হাৰ্টথ্ৰৱ গণশিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যুত শোকাভিভূত হৈছে পশ্চিমবংগৰ বাঙালী সমাজ আৰু প্ৰত্যেকজন ভাৰতীয়।

জুবিন গাৰ্গ আৰু নাই। জুবিন গাৰ্গবিহীন এটা নিস্তব্ধ প্ৰহৰ, গোমা আকাশ, উঁচুপি উঁচুপি কান্দিছে তেওঁৰ নন্দন কাননত ফুলি থকা প্ৰতিজোপা গছ। ধুমুহাৰ স'তে যুঁজ দিবলৈ এতিয়া আৰু নাই অসমীয়াৰ হৃদস্পন্দন জুবিন গাৰ্গ। এই গৰাকী অনন্য প্ৰতিভাৰ অধিকাৰী জুবিন গাৰ্গ কি নাছিল? তেওঁ আছিল একাধাৰে কণ্ঠশিল্পী, গীতিকাৰ, সংগীত ব্যৱস্থাপক, চলচ্চিত্ৰ অভিনেতা, পৰিচালক, বাদ্যযন্ত্ৰী (কী-বৰ্ড, গিটাৰ, তবলা, মেণ্ডোলিন, দগৰ, প্যাৰকাচন আদি), কবি, সমাজ-কৰ্মী, জুবিন গাৰ্গে ৪০ টি ভাষাত প্ৰায় ৩২ হাজাৰ গীতত কণ্ঠদান কৰিছিল। তাৰ ভিতৰত অসমীয়া, বাংলা আৰু হিন্দী ভাষা উল্লেখযোগ্য। তেওঁ উনৈশ বছৰ বয়সতে ১৯৯২ চনত " অনামিকা" নামৰ প্ৰথম অসমীয়া গীতৰ এলবাম মুকলি কৰিছিল। তাৰ পিছত তেওঁ থমকি ৰোৱা নাছিল। তাৰ পিছত তেওঁ ক্ৰমে অনুৰাধা ১৯৯২, মায়া (১৯৯৪), আশা(১৯৯৫), জুবিনৰ গান(১৯৯৬), ৰং (১৯৯৬), মুক্তি (১৯৯৭), জানমণি (১৯৯৮), মেঘৰ বৰণ (১৯৯৯), পাখি (১৯৯৯), ৰাংঢালী(১৯৯৯), সপোন (১৯৯৯), হিয়ামন(২০০১), শিশু (২০০২), উৰণীয়া মন (২০০৭), ৰুমাল (২০০৮), অভিমানী মন (২০০৯), যন্ত্ৰ (২০০৪), ৰুণজুন (২০১২), কিং (২০১৫) কে আদি কৰি অসংখ্য অসমীয়া এলবাম গীত ৰচনা কৰিছিল।

এজন সংগীত পৰিচালক, গীতিকাৰ আৰু অভিনেতা হিচাপেও তেওঁ জনাজাত।

জুবিন গাৰ্গে সংগীত পৰিচালনা কৰা অসমীয়া বোলছবি কেইখন হ'ল -- হিয়া দিয়া নিয়া, তুমি মোৰ মাথোঁ মোৰ, দাগ, নায়ক, প্ৰেম আৰু প্ৰেম, কন্যাদান, জীৱন নদীৰ দুটি পাৰ, জোনাকী মন, বিধাতা, প্ৰিয়া মিলন, অগ্নিসাক্ষী, জুমন সুমন, বাৰুদ, অধিনায়ক, আমি অসমীয়া, দীনবন্ধু, ৰং, মন যায়, ৰ'দৰ চিঠি, গানে কি আনে, মিছন চাইনা, প্ৰিয়াৰ প্ৰিয় ইত্যাদি।

তেওঁ ফিজা, কাঁটে, মুড্ডা, ব্ৰাইডছ ৱাণ্টেট, গেংষ্টাৰ, প্যাৰ কে ছাইড ইফেক্ট, গুড বয়, বেড বয়, বিগ ব্ৰাদাৰ, হমাৰী অধুৰী কাহিনী ইত্যাদি সংগীতত কণ্ঠদান কৰিছিল।

বঙালী চিনেমা " শুধু তুমি" ৰ কাৰণে জুবিনে ২০০৫ চনত শ্ৰেষ্ঠ সংগীত বঁটা লাভ কৰিছিল। আৰু হিন্দী গীত " য়া আলি" শীৰ্ষক গীতটিৰ বাবে তেওঁ ২০০৭ চনত গ্লোবেল ইণ্ডিয়ান ফ্লিম এৱাৰ্ড আৰু ষ্টাৰডাষ্ট এৱাৰ্ডত শ্ৰেষ্ঠ নেপথ্য সংগীত শিল্পীৰ বঁটা (পুৰুষ) লাভ কৰিছিল। জুবিন গাৰ্গৰ যাদুকৰী কণ্ঠ আৰু একৈশ শতিকাৰ আধুনিক প্ৰাচ্য আৰু পাশ্চাত্যৰ সংমিশ্ৰণত গঢ়ি তোলা সংগীত পৰিৱেশন আৰু বোলছবি নিৰ্মাণ কৰাৰ বাবে কলাকাৰ এৱাৰ্ড ২০০৮, (বেষ্ট মিউজিক এলবাম) ৫৫ তম নেচনেল ফ্লিম এৱাৰ্ড (২০০৯), প্ৰাক চিনে এৱাৰ্ড (২০১১) আৰু অসমীয়া সংগীত জগতত নতুন ধাৰা সৃষ্টি কৰাৰ বাবে ৰেনেছাঁ অসম বঁটা, ২০১৪ আদি বিভিন্ন বঁটা-বাহনেৰে বিভূষিত হৈছিল। অসমীয়া কাব্য জগতলৈ আৰু ভ্ৰাম্যমাণ থিয়েটাৰতো তেওঁৰ অৱদান অপৰিসীম।

সাগৰৰ দৰে বিশাল আৰু গহীন, হিমালয়ৰ এভাৰেষ্ট শৃংগৰ দৰে সুউচ্চ আৰু ভূমণ্ডলৰ দৰে পৰিবেষ্টিত ডঃ ভূপেন হাজৰিকাৰ পিছতেই জুবিন গাৰ্গ অসমৰ উজ্জ্বল ভোটাতৰা।

তেওঁ সম্প্ৰীতিৰ এনাজৰীডাল কটকটীয়া কৰাৰ বাবে জুবিন গাৰ্গে ২০০১ চনত গোৱা কেইবাটাও গান -- যেনে - মায়াবিনী ৰাতিৰ বুকুত, দাগ মোৰ বুকুতে, লাহে লাহে, নায়ক হ'ব খুজি ইত্যাদি অসমীয়া, হিন্দী, বঙালী, কোঁচ ৰাজবংশী, বড়ো, গোৱালপৰীয়া দেশী, কমতাপুৰী, চাহ বাগানীয়া, হাজং, মিচিং, কাৰ্বি, গাৰো, ৰাভা, ডিমাচা, টাই-আহোম, নেপালী, ভোজপুৰী, বিষ্ণুপ্ৰিয়া মণিপুৰী, ওৰিয়া, তামিল, তেলেগু, কানাড়া, মালায়ালম, মাৰাঠী, গালো আৰু ইংৰাজী ভাষাত কণ্ঠদান কৰি সকলো ভাৰতবাসীৰ হৃদয় জিনিবলৈ সক্ষম হৈছিল। কেৱল সেয়ে নহয়, তেওঁ আছিল এজন সক্ৰিয় সমাজসেৱক। তেওঁ এজন অনুষ্ঠান বুলি গণ্য কৰিব পাৰি; যিয়ে দুৰাৰোগ্য ব্যাধিত আক্ৰান্ত ৰোগীৰ ওচৰত সদায় থিয় হৈছিল, শিল্পীৰ সহায়ৰ বাবে শিল্পী ন্যাস গঠন কৰিছিল, কি গঁড় হত্যাৰোধ কি বানপানীত দুৰ্গতৰ ওচৰত সকলোতে অগ্ৰগামী ভূমিকা গ্ৰহণ কৰিছিল। তেওঁ আছিল দুখীয়া নিচলাৰ পৰম বন্ধু ; প্ৰকৃত গণশিল্পী।

জুবিন গাৰ্গৰ এই অকাল বিয়োগত মৰ্মাহত হৈ পৰিছে অসম তথা ভাৰতবাসী। অসমীয়া সাহিত্য সংস্কৃতি আৰু সংগীত জগতৰ এই অপূৰণীয় ক্ষতি বা শূন্য স্থান কোনোৱে পূৰ্ণ কৰিব নোৱাৰে। তেওঁ মৰিও অমৰ। তেওঁৰ সুৰৰ ঝংকাৰ, বাদ্যযন্ত্ৰত সৃষ্টি কৰা অপূৰ্ব সোৱাদ আৰু শক্তিশালী অভিনয় দক্ষতাই অসমীয়া জাতিক বিশ্বদৰবাৰত স্বকীয় বৈশিষ্ট্যৰে পৰিচয় কৰাই দিবলৈ সক্ষম হৈছে। তাৰ বাবে জুবিন গাৰ্গ আমাৰ চিৰ-নমস্য!

## আজিৰ পৰা স্বৰ্গখন সুৰিয়া হ'ল



**চিমী বৰুৱা, মৰিগাঁও চৰাইবাঁহী**

সুৰৰ ৰাজপুত্ৰ গেলাৰি  
জুবিন গাৰ্গ, তোমাৰ বিদায়,  
চকুৰ পতা এতিয়া মোৰ,  
অশ্ৰুৰে ভৰা ।  
তোমাৰ গানবোৰে আমাক  
দিছিল সুখৰ সুবাস,  
এতিয়া তোমাৰ নিথৰ দেহে,  
আমাক কৰিছে হাহাকাৰ ।  
তোমাৰ কণ্ঠত আছিল,  
সংগীতৰ যাদু,  
এতিয়া সেই কণ্ঠ  
নিথৰ হৈ গ'ল ।  
তোমাৰ অবিহনে আজি  
সংগীতৰ জগতখন শূন্য ।  
তোমাৰ গান "পাখি পাখি এই মন"  
আজিও আমাক উৰিবলৈ শিকায় ।  
"সোণৰ সজাঁত ৰাখিলোঁ, মৰমেৰে পালিলো"  
ভালপোৱাৰ যি বেদনা তোমাৰ কণ্ঠত  
সেয়া চিৰকাল অমল হৈ ৰ'ব  
অসমীয়াৰ হৃদয়ত ।  
স্বৰ্গখন আজি সুৰিয়া  
তোমাৰ উপস্থিতিত ।  
তোমাৰ আত্মাই শান্তি লাভ কৰক  
আমাৰ হৃদয়ত তোমাৰ স্মৃতি  
চিৰদিন জিলিকি থাকিব ।

# অসমীয়া ভাষা সাহিত্য সংস্কৃতিলৈ মহাপুৰুষ

সমাজৰ কু-সংস্কাৰবোৰ নাশ কৰিবলৈ গুৰু দুজনাই চেষ্টা কৰিছিল। যাৰ কাৰণে সমাজ সংস্কাৰক গুৰ দুজনাই সত্ৰ-নামঘৰ আৰু বৰগীত আদি অনেক অৱদান আগবঢ়াই থৈ গৈছে ।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ দেৱে ধৰ্মৰ চাৰিখুঁটি মাৰি ভাগৱত ধৰ্মৰ পাতনি মেলিছিল। এই ভাগৱত ধৰ্মৰ প্ৰৱৰ্তনৰ খাতিৰত চাৰিহাটি, দৌলগৃহ, মণিকূট, কীৰ্তন ঘৰ আদিত ভক্তগণ আদি সমাহাৰে জ্ঞানৰ আলোক বিতৰণ কৰিছিল, যাক আমি নামঘৰ বুলি কওঁ । ইয়াত মহাপুৰুষ মাধৱদেৱ উল্লেখযোগ্য অৱদান আছে।

এই নামঘৰ বা কীৰ্তন ঘৰত হৰিৰ -কথা চৰ্চাৰ প্ৰসংগ। য'ত গুৰু, দেৱ, নাম, ভকত এই চাৰি বস্তু। ১৫৮৩ খ্ৰীষ্টাব্দত মহাপুৰুষ মাধৱদেৱে বৰপেটা সত্ৰ স্থাপন কৰে। তিনি প্ৰসঙ্গৰ পৰিবৰ্তে চৈধ্য প্ৰসঙ্গ, গীত মাত ঘোষা আদি পৰিবেশন কৰে।


১৫/১৬ শতাব্দীত মহাপুৰুষ শ্ৰীমন্তশঙ্কৰ দেৱে মহাপুৰুষ মাধৱ দেৱৰ সৈতে লগ-লাগি বজ্ৰাৱলী ভাষাত বৰগীত ৰচনা কৰে। ২৪০টা বৰগীত শঙ্কৰ দেৱে ৰচনা কৰিছিল। ৩৪ টা সংৰক্ষিত। "কীৰ্ত্তন" ঘোষাক বেদৰ স্থান পাইছে। ঠিক তেনেকৈ ১৫৭টা মহাপুৰুষ মাধৱ দেৱে বৰগীত ৰচনা কৰিছিল।

নামঘোষা মহাপুৰুষ মাধৱদেৱৰ ৰচিত গ্ৰন্থ সমূহৰ ভিতৰত কীৰ্তিস্তম্ভ, এই নামঘোষা খনত এহেজাৰ ঘোষা থকা কাৰণে হেজাৰী ঘোষা নামে পৰিচিত।

হৰি নাম ৰসে বৈকুণ্ঠ প্ৰকাশে
প্ৰেম অমৃতৰ নদী ।
শ্ৰীমন্ত শঙ্কৰে পাৰ ভাঙি দিলা
বহে ব্ৰহ্মাণ্ডক ভেদি ।।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ শিষ্য মহাপুৰুষ মাধৱদেৱে গুৰু বাক্য হৃদয়ত লৈ এক শৰণ বৈষ্ণৱ ধৰ্ম প্ৰচাৰ প্ৰসাৰ কৰি বৃহত্তৰ সমাজখনৰ কু-সংস্কাৰ নাশ কৰিবলৈ যথেষ্ট কষ্ট কৰিছিল। যাৰ ফলস্বৰূপে অৰ্জুন ভঞ্জন নাটক, চোৰধৰা, পিম্পৰা, ভোজন বিহাৰ ইয়াৰ উপৰি জন্মৰহস্য নাম-মালিকা তত্ত্ব মূলক গ্ৰন্থ ৰচনা কৰি সমাজলৈ আগবঢ়াই থৈ গৈছে।


অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ লোক বাস কৰিলেও মুঠতে সকলো বৃহত্তৰ এটা অসমীয়া জাতি বুলি অভিহিত। এই বৃহত্তৰ অসমীয়াৰ সমাজক পোহৰৰ সন্ধান দেখুৱাই আগবঢ়াই নিয়া আৰু এক শৰণ বৈষ্ণৱ ধৰ্মৰ গুৰি ধৰোঁতা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ শিষ্য মহাপুৰুষ মাধৱদেৱৰ অসমীয়া সাহিত্য সংস্কৃতিলৈ উল্লেখযোগ্য অৱদান আগবঢ়াই থৈ গৈছে।



ৰঙিলী বাৰ্তা কৰ্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286

# এটি যুগৰ অৱসান ঘটিল



মৃত্যু এক চিৰন্তন সত্য। সত্যটো মানি ল'বলৈ কষ্ট হৈছে যদিও আমি মানি লবই লাগিব। সকলোৰে হিয়াৰ আমঠু অসমৰ হাৰ্টথ্ৰব জুবিন দা আৰু আমাৰ মাজত নাই। চিৰ জীৱনৰ বাবে গুচি গ'ল। বাতৰিটো শুনা পায় বিশ্বাস কৰিবলৈ টান হৈছিল।স্তব্ধ হৈ পৰিছিলোঁ। চৌদিশ ধূসৰ হৈ পৰিছিল। বুকুখন বিষাই গৈছিল। মাথোঁ প্ৰাৰ্থনা কৰিছিলোঁ, ঘটনাটো মিছা হওক। অলপ সময় ৰৈ বাতৰি বোৰ চায় জানিব পাৰিলোঁ ঘটনাটো সঁচা। বুজাব নোৱাৰা এক শিহৰণকাৰী ঘটনা। সমগ্ৰ অসমখনে যেন স্তব্ধ হৈ পৰিছিল।

**ৰশ্মি ৰেখা দুৱৰা,ডিব্ৰুগড়**

জুবিন দা'ৰ খবৰ পোৱাৰে পৰা চাৰিওফালৰ পৰিৱেশ নিৰ্জন হৈ পৰিছে। জুবিন দা, এজন শিল্পীয়ে নহয় এক সত্তা। জুবিন দাই যি অৱদান আগবঢ়াই গৈছে, সেয়া আমাৰ সিৰে-সিৰে বৈ থাকিব। জুবিন দা আমাৰ প্ৰাণত, হৃদয়ত সদায় থাকিব। জুবিন দা'ৰ কোনটো গান শুনা নাছিলোঁ। প্ৰতিটো গানৰ মাজতেই নতুন আভাস পাইছিলোঁ।যাত্ৰা কৰাৰ সময়ত, অকলে নিজানত থকাৰ পৰত, ৰাতি যেতিয়া টোপনি নাহে, কোন সময়ত জুবিন দাৰ গান শুনা নাছিলোঁ। যেতিয়াই মন যায় তেতিয়াই শুনিছিলোঁ। আপুনি আমাৰ মাজৰ পৰা কায়িকভাবেহে নোহোৱা হৈছে, আপোনাৰ সত্তা সদায় আমাৰ মাজত থাকিব।

এটি যুগৰ অৱসান ঘটিল। বহুমুখী প্ৰতিভাৰ গৰাকী সহজ-সৰল মনোভাৱৰ ব্যক্তিজন সাগৰৰ বুকুতে বিলীন হৈ গ'ল। কোনোদিন ঘূৰি নহাৰ বাটেৰে গুচি গ'ল। আপোনাক হেৰুওৱাই আজি সকলোৰে শোকত মৰ্মাহত হৈছে। আপুনি নোহোৱা হ'ব নোৱাৰে আপুনি ধ্ৰুৱতৰা হৈ জিলিকি থাকিব। আপুনি য'তেই আছে কুশলে থাকক।

# স্তব্ধ জোনাক




**নিবেদিতা হাজৰিকা, লখিমপুৰ**

আকস্মিক এটি বাৰ্তাত গতিশীল সময়ো যেন স্তব্ধ হৈ পৰিছিল। অসম অথা ভাৰতৰ প্ৰসিদ্ধ কণ্ঠশিল্পী, সংগীত পৰিচালক, এটি শিশু সুলভ মনৰ অধিকাৰী, অসম -অসমীয়াৰ সাহস, বহু জনৰ সাহস বহু জনৰ অভিভাৱক স্বৰূপ জুবিন গাৰ্গৰ আকস্মিক মৃত্যুৰ বতৰা সঁচাই অকল্পনীয়। কেনেকৈ মানি লওঁ হিয়াৰ আমঠু শিল্পী গৰাকীৰ মৃত্যুৰ খবৰ, তেওঁ নোহোৱা হোৱাৰ বাতৰি।

এক অনন্য প্ৰতিভাৰ অধিকাৰী, জনতাক উদ্বেলিত কৰিব পৰা ঈশ্বৰপ্ৰদত্ত কণ্ঠৰ অধিকাৰী জুবিন গাৰ্গৰ মৃত্যুৰ খবৰ খুবেই অসহনীয়। ছিংগাপুৰৰ লেজাৰ্ছ দ্বীপত অনাকাংক্ষিত ভাৱে মৃত্যুক আকোঁৱালি লোৱাৰ খবৰটো মানি ল'বলৈ বৰ কষ্ট হৈছে। সমগ্ৰ ৰাজ্যত আজি শোকৰ ছাঁ, শোকাকুল পৰিস্থিতি। নহ'বনো কিয়? পাখি মেলি স্নিগ্ধ জোনাক নমাই অনা এটি বৰ্ণিল যুগৰ যে অৱসান ঘটিল। হাজাৰ -হাজাৰ জনতাৰ হৃদয় জিনিবলৈ সক্ষম হোৱা শিল্পী গৰাকীয়ে অৱশেষত মৃত্যু জিনি সমুদ্ৰ বক্ষত মৃত্যুক আকোঁৱালি ল'লে আচম্বিতে। প্ৰাণৰ শিল্পী গৰাকীৰ মৃত্যুত আজি সমগ্ৰ ৰাজ্য ম্ৰিয়মান। হাজাৰ জনৰ বুকুত অগনি জ্বলাই গুছি গ'ল এখন নেদেখা ঠাইলৈ । সকলো শ্ৰেণীৰ লোকৰ মাজতে জনপ্ৰিয় শিল্পীজনে হৃদয় আৰু আত্মাক স্পৰ্শ কৰি গুছি গ'ল। এৰি থৈ গ'ল নিজৰ সৃষ্টি আৰু সুৰ। এনে এগৰাকী কণ্ঠশিল্পীক কিদৰে জনাও বিদায়! নতুন নতুন সৃষ্টিৰ পৰিকল্পনা লৈ সদা ব্যস্ত হৈ থকা প্ৰাণৰ শিল্পীজন গ'লগৈ।

# জুবিন গাৰ্গ আৰু মোৰ কিছু কথা



জুবিন গাৰ্গৰ মৃত্যুৰ খবৰ পাই মৰ্মাহত হৈছোঁ। এজন সু সন্তান অসমৰ বুকুৰ পৰা হেৰাই পেলোৱা কিমান যে দুখৰ বিষয় সেই কথা সকলোৱে জানে। জুবিন আছিল আমাৰ অসমৰ এজন শিল্পী। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ গুণ তেখেতৰ গাত আছিল।

তেখেত আছিল এজন সুদক্ষ, গায়ক, অভিনেতা, চলচ্চিত্ৰ নিৰ্মাতা, আৰু যে ক'ত গুণৰ অধিকাৰী। তেখেতৰ গুণ অমৰ হৈ জীয়াই থাকিব ইতিহাসৰ পাতে পাতে লিপিবদ্ধ হৈ থাকিব অসমৰ এজন প্ৰসিদ্ধ লেখক, শিল্পী, অভিনেতা, নিৰ্মাতা, সুৰকাৰ গীতিকাৰ কবি আৰু এজন মহান পণ্ডিত হিচাপে।

এজন উজ্জ্বল নক্ষত্ৰ খহি পৰিল অসমৰ আকাশৰ পৰা। অসমৰ সংগীত জগতৰ অন্যতম প্ৰসিদ্ধ কণ্ঠশিল্পী হেৰুৱায় অসমীয়া গানৰ সুৰৰ ঝংকাৰ মুচি গ'ল চিৰদিনৰ বাবে নিঃশেষ হৈ গল জুবিন গাৰ্গৰ সংগীত জগতৰ নিয়ম মানি আজি আমাৰ মাজৰ পৰা বিদায় লৈছে এই জন সুৰকাৰ। লুইতৰ দুয়ো পাৰ আজি শোকৰ বন্যা ঘোৰ ঘোৰ আন্ধাৰ নামি আহিলে সংগীত জগতত। নিষ্ঠুৰ মৃত্যু কিয় আহি লৈ গৈছে জুবিন গাৰ্গৰ প্ৰাণ বায়ু। সঁচাকৈ মৃত্যু অনিবাৰ্য, ইয়াৰ পৰা হাত সাৰিবলৈ কাৰোবাৰ হাত নাই। মৃত্যুৰ সোৱাদ এদিন সকলো জীৱ ল'ব লাগিব।

**ছেলিমা বেগম, নগাঁও**

জুবিন বিহীন আজি কোনে গাব শুৱলা গীত। বিভিন্ন জনগোষ্ঠীৰ মাজত বিভিন্ন ভাষাৰ গীত গাই মন জয় কৰিবলৈ আজি বিদায় লৈ গুচি গলা মঞ্চত গীত গাই গাই মানুহৰ মন জয় কৰা জনেই আমাৰ জুবিন আছিল। নিজৰ সিদ্ধান্ত আছিল তাৰ জীৱনৰ একলব্যই সিদ্ধান্ত। চলচ্চিত্ৰ জগতত দপদপনি তুলি সমাজ সংস্কাৰ কৰিবৰ বাবে দিনে নিশাই পৰিশ্ৰম কৰি নিজৰ কাম একেৰাহে চলাই ৰাখিছিল জুবিন গাৰ্গে। নিজৰ পৰিয়ালৰ কথা তাৰ মনত নিছিল, সংগীত পৰিচালনা কৰা তাৰ আছিল একমাত্ৰ উদ্দেশ্য। অসমৰ এনে এজন স্যমন্তমণি অসমৰ পৰা হেৰাই যোৱা টো অসমৰ বহুতো ক্ষতি হৈছে। আজি অসমীয়া বৰকৈ অসহায় হৈ পৰিছে।

জুবিন গাৰ্গৰ অংগৰাগ সকল শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰিবলৈ টান পাইছে। কাৰণ এনে এজন ব্যক্তি অসমৰ বুকুৰ পৰা বিদায় দিয়াটো অসমবাসীয়ে মানিবলৈ টান পাইছে। সংগীত জগতৰ অন্যতম প্ৰসিদ্ধ কণ্ঠশিল্পী হেৰুৱায় অসমীয়া মানুহৰ মাজত হাহাকাৰ লাগিল। অসমৰ লগতে বহি ৰাজ্যৰ পৰা সন্মান অৰ্জন কৰি নিজৰ নাম উজ্জ্বল কৰিছিল জুবিন গাৰ্গে। সন্তানৰ কথা ভৱা নাছিল সংগীত জগত খনেই নিজৰ সন্তানৰ দৰে পুহ পালন কৰিছিল। মঞ্চত গীত গাই থাকোঁতে কেতিয়াবা কৈছিল মই সন্ন্যাসীৰ দৰে জীৱন যাপন কৰিম জংঘলৰ মাজৰ যাবলৈ বাধ্য জুবিন।

জুবিন গাৰ্গে কাকো ভয় কৰি কথা কোৱা নাছিল। বহুতো দুখীয়া মানুহৰ ওপৰত তেখেতৰ দয়া মৰম চেনেহ আছিল। মঞ্চত গীত গাই থাকোঁতে জুবিন গাৰ্গে কৈছিল মোৰ মৃত্যু হ'লে জ্বলাই নিদিব, ব্ৰহ্মপুত্ৰৰ বুকুত উঠাই দিব ! মোৰ কোনো ধৰ্ম নাই তথাপিও মনৰ অনুভৱ খিনি প্ৰকাশ কৰিবলৈ বিচাৰোঁ।

এই জন সুৰকাৰ, গীতিকাৰ, কবি, লেখক, অভিনেতা নিৰ্মাতা বহু গুণৰ অধিকাৰী অসমৰ উজ্জ্বল নক্ষত্ৰ অসমীয়াক কন্দুৱাই এটা যুগৰ অন্ত পেলায় চিৰদিনৰ বাবে মেলানি মাগিছে ২০২৫ চনৰ ১৮ চেপ্টেম্বৰ মাহৰ শুক্ৰ বাৰৰ দিনটোত। জুবিন গাৰ্গৰ জন্ম দিনটো আছিল ১৯৭২ চন ১৮ নৱেম্বৰ।

# জীৱন নীৰৱতাৰো সুৰ আছে




সময় হ'লে
সমীৰে কঢ়িয়াই
সজীৱ নীৰৱতাৰ
সপ্তসুৰৰ তান
ভানুৰ দৰেই গায়
নীৰৱতাৰ গান
পাৰ্থক্য এয়ে যে
ভানুৰ নীৰৱতাৰ
গানৰ শেষ নাই
নিৰবধি গায় গান
ৰাখি সৌৰজগত
সত্যতাৰ মান
সমীৰে অনা নিৰৱ গানে
জীৱনক কৰে
নিৰৱে অৱসান
নীৰৱতাই হয় প্ৰেম
অজানিতে নিৰৱে
নিৰলে ঝংকাৰিত
জীৱন বিণা যেন
ঘাতে জীৱন নাটৰো
কৈলাণ-খৰমান ।